रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

भारत का राजपत्र
# THE GAZETTE OF INDIA
ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ -অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 13 ] NEW DELHI, THURSDAY, JUNE 13, 2019 / 23 JAISTHA, 1941 (Saka) [ VOL : 5
নং ১৩ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৩, ২০১৯ / ২৩ জেঠ, ১৯৪১ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬ (২০০৬ ৰ ১৯)

# পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ্ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬

## ২০০৬ ৰ সংখ্যা ১৯

## ধাৰাসমূহৰ ক্ৰম

**ধাৰাসমূহ**

### অধ্যায় - ১

### প্ৰাৰম্ভিক


১। সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰাৰম্ভণ আৰু প্ৰয়োগ ১

২। পৰিভাষা ১


### অধ্যায় - ২

### পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ্ বিনিয়মন বোৰ্ড


৩। বোৰ্ডৰ স্থাপন আৰু ভুক্তকৰণ ৭

৪। অধ্যক্ষ আৰু আন সদস্যসমূহৰ নিযুক্তিৰ বাবে অৰ্হতা ৭

৫। অধ্যক্ষ আৰু আন সদস্যৰ পদাবধি, সেৱাৰ চৰ্ত্তাৱলী, ইত্যাদি ৮

৬। অধ্যক্ষৰ ক্ষমতা ৯

৭। অধ্যক্ষ বা আন সদস্যক পদৰ পৰা অপসাৰণ ৯

৮। বোৰ্ডৰ সভা ৯

৯। বোৰ্ডৰ কাৰ্য্যবাহীলৈ ৰিক্তি, ইত্যাদি অবৈধ নহ’ব ১০

১০। বোৰ্ডৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দ ১০


### অধ্যায় - ৩

### বোৰ্ডৰ কৃত্য আৰু ক্ষমতা


১১। বোৰ্ডৰ কৃত্য ১০

১২। বোৰ্ডৰ দ্বাৰা অভিযোগ আৰু বিবাদৰ সংকল্প প্ৰস্তাৱৰ সম্বন্ধত ক্ষমতা। ১১

১৩। বোৰ্ডৰ প্ৰক্ৰিয়া ১২


### অধ্যায় - ৪

### পঞ্জীয়ন আৰু প্ৰাধিকৰণ


১৪। পঞ্জী ১৩

১৫। অস্তিত্বৰ পঞ্জীয়নকৰণ ১৪

১৬। প্ৰাধিকৰণ ১৪

১৭। প্ৰাধিকৰণৰ বাবে আবেদন ১৫
১৮। আবেদনৰ প্ৰচাৰ ১৫
১৯। প্ৰাধিকৰণৰ মঞ্জুৰ ১৬
২০। সাধাৰণ বাহক বা চুক্তিবাহক বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, ইত্যাদিৰ ঘোষণা ১৬
২১। প্ৰথম ব্যৱহাৰ ইত্যাদিৰ অধিকাৰ ১৭
২২। পৰিবহন শুল্ক ১৭
২৩। প্ৰাধিকৰণৰ নিলম্বন বা ৰদ্‌কৰণ ১৮

অধ্যায় - ৫

## বিবাদৰ নিস্পত্তি

২৪। বোৰ্ডে বিবাদৰ নিস্পত্তি কৰিব ১৮
২৫। অভিযোগৰ দাখিলকৰণ ১৯
২৬। অনুসন্ধান কৰাৰ ক্ষমতা ২০
২৭। বোৰ্ডৰ দ্বাৰা হিচাপ লবলগীয়া উপাদান ২০
২৮। বোৰ্ডৰ দ্বাৰা দিয়া নিৰ্দ্দেশাৱলীৰ উলঙ্ঘনৰ বাবে চিভিল জৰিমণা ২০
২৯। বোৰ্ডৰ দ্বাৰা পাৰিত আদেশক ডিক্ৰী বুলি গণ্য কৰা হ'ব ২১

অধ্যায় - ৬

## আপীল ন্যায়াধিকৰণত কৰা আপীল

৩০। আপীল ন্যায়াধিকৰণ ২১
৩১। কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) ২১
৩২। কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ)ৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী ২২
৩৩। আপীল ন্যায়াধিকৰণলৈ কৰা আপীল ২২
৩৪। আপীল ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা ২২
৩৫। আপীল ন্যায়াধিকৰণৰ নিয়মাৱলী প্ৰনয়ণৰ ক্ষমতা ২৩
৩৬। আপীল ন্যায়াধিকৰণৰ দ্বাৰা পাৰিত আদেশবোৰ এটা ডিক্ৰীৰূপে নিষ্পাদনযোগ্য হ'ব ২৩
৩৭। উচ্চতম ন্যায়ালয়লৈ কৰা আপীল ২৩

অধ্যায় - ৭

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

৩৮। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান ২৪
৩৯। নিধি ২৪
৪০। হিচাপ আৰু হিচাপ পৰীক্ষা ২৪
৪১। বাৰ্ষিক প্ৰতিবেদন আৰু সংসদত ইয়াৰ উত্থাপন ২৫

## অধ্যায় - ৮

## কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা


| | | |
|---|---|---|
| ৪২। | কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশনা জাৰি কৰাৰ ক্ষমতা | ২৫ |
| ৪৩। | জনস্বাৰ্থত কোনো অস্তিত্বৰ আৰু খুচুৰা বজাৰৰ সা-সুবিধা আৰু ব্যৱসায় পৰিসৰৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা গ্ৰহণ কৰা। | ২৬ |


## অধ্যায় - ৯

## অপৰাধ আৰু দণ্ড


| | | |
|---|---|---|
| ৪৪। | বোৰ্ডৰ নিৰ্দ্দেশনাৰ উলঙ্ঘনৰ বাবে দণ্ড | ২৬ |
| ৪৫। | আপীল ন্যায়াধিকৰণৰ আদেশ পালন কৰিবলৈ ইচ্ছাকৃত ভাৱে অসফল কৰাৰ বাবে জৰিমনা | ২৬ |
| ৪৬। | অপ্ৰাধিকৃত কাৰ্য্যকলাপৰ বাবে দণ্ড | ২৭ |
| ৪৭। | পঞ্জীয়নকৰণ বিনা এটা তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেলৰ স্থাপন বা প্ৰবৰ্ত্তন কৰাৰ বাবে দণ্ড | ২৭ |
| ৪৮। | প্ৰাধিকৰণ বিনা সাধাৰণ বাহক বা চুক্তি বাহকৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰৰ বাবে দণ্ড | ২৭ |
| ৪৯। | সাধাৰণ বাহক বা চুক্তি বাহকক ইচ্ছাকৃতভাৱে ক্ষতি কৰাৰ বাবে দণ্ড | ২৭ |
| ৫০। | কোম্পানীৰ দ্বাৰা কৰা অপৰাধসমূহ | ২৭ |


## অধ্যায় - ১০

## বিবিধ


| | | |
|---|---|---|
| ৫১। | ডাটা বেঙ্ক আৰু তথ্যৰ সংৰক্ষণ | ২৮ |
| ৫২। | অস্তিত্বসমূহৰ বাধ্যবাধকতা | ২৮ |
| ৫৩। | কেন্দ্ৰীয় চৰকাৰলৈ প্ৰবিৱৰণ, ইত্যাদিৰ যোগান ধৰা | ২৯ |
| ৫৪। | অধ্যক্ষ, সদস্য ইত্যাদি লোকসেৱক হ'ব | ২৯ |
| ৫৫। | সদ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা | ২৯ |
| ৫৬। | চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব | ২৯ |
| ৫৭। | কেতবোৰ অপৰাধৰ সংজ্ঞান | ২৯ |
| ৫৮। | আৰোপ | ২৯ |
| ৫৯। | জটিলতা দূৰীকৰণৰ ক্ষমতা | ৩০ |
| ৬০। | কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰনয়ণ কৰাৰ ক্ষমতা | ৩০ |
| ৬১। | বোৰ্ডৰ বিনিয়মাৱলী প্ৰনয়ণ কৰাৰ ক্ষমতা | ৩১ |
| ৬২। | নিয়মাৱলী আৰু বিনিয়মাৱলী, সংসদত উত্থাপিত কৰা হ'ব | ৩৩ |
| ৬৩। | সংক্ৰমণকালীন ব্যৱস্থা | ৩৩ |

# পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬

(২০০৬ ৰ সংখ্যা ১৯)

[৩১ মাৰ্চ, ২০০৬]

পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছ সম্পৰ্কিত বিনিৰ্দ্দিষ্ট কামকাজত জড়িত গ্ৰাহক আৰু অস্তিত্বৰ স্বাৰ্থ যাতে সুৰক্ষিত হয়, খাৰুৱাতেল আৰু প্ৰাকৃতিক গেছৰ উৎপাদনক বাদ দি পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ শোধন, সংসাধন, মজুতকৰণ, পৰিবহন, বিতৰণ, বিপনন আৰু বিক্ৰী বিনিয়মিত কৰিবলৈ আৰু দেশৰ সকলোভাগতে পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ অবিৰত আৰু পৰ্য্যাপ্ত যোগান সুনিশ্চিত কৰিবলৈ আৰু প্ৰতিযোগীতামূলক বজাৰৰ উন্নীত কৰিবলৈ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ডৰ স্থাপনৰ বাবে আৰু তাৰ সৈতে জড়িত বা তালৈ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ সপ্তপঞ্চাশৎবৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ-,

## অধ্যায় - ১

## প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰাৰম্ভণ আৰু প্ৰয়োগ।*

১। (১) এই অধিনিয়মখন, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬ বুলি অভিহিত হ'ব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰিত।

(৩) ই, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখত বলবৎ হ'ব ঃ

পৰন্তু এই অধিনিয়মৰ বিভিন্ন উপৱন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভনত এনে কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশক, সেই উপবন্ধৰ বলবৎ কৰণত এটা প্ৰসঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ কৰা হ'ব।

(৪) ই, খাৰুৱাতেল আৰু প্ৰাকৃতিক গেছৰ উৎপাদনক বাদ দি পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ শোধন, সংসাধন, মজুতকৰণ, পৰিবহন, বিতৰণ, বিপনন আৰু বিক্ৰীলৈ প্ৰযোজ্য হ'ব।

*পৰিভাষা*

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে -

(ক) "সমন্ধ কৰা আচৰণ বিধি" মানে ধাৰা ২১ৰ উপধাৰা (১)ৰ অধীনত প্ৰাকৃতিক গেছৰ মজুতকৰণ, প্ৰেৰণ, বিতৰণ, বিপনন আৰু বিক্ৰীত জড়িত আচৰণ বিধি, পৰিচালনা কৰা অস্তিত্ব ;

(খ) "আপীল ন্যায়ধিকৰণ" মানে ধাৰা ৩০ত নিৰ্দ্দেশিত আপীল ন্যায়াধিকৰণ ;

(গ) "নিয়ত দিন" মানে ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত বোৰ্ড স্থাপিত হোৱা তাৰিখ ;

(ঘ) "প্ৰাধিকৃত অস্তিত্ব" মানে-

(ক) ধাৰা ১৫ৰ অধীনত -

(I) কোনো অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বিপনন কৰিবলৈ ; বা

(II) তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেলৰ স্থাপন আৰু প্ৰবৰ্ত্তন কৰিবলৈ বোৰ্ডৰ দ্বাৰা পঞ্জীকৃত এটা অস্তিত্ব ; বা

(খ) ধাৰা ১৬ ৰ অধীনত -

(I) এটা সাধাৰণ বাহক বা চুক্তিৰ বাহকৰ, স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ; বা

(II) এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, প্ৰৱৰ্ত্তন বা বিস্তাৰ কৰিবলৈ বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত এটা অস্তিত্ব ;

(ঙ) "স্বয়ং চালিত তৰল পেট্ৰ'লিয়াম গেছ" মানে পেট্ৰ'লিয়ামৰ পৰা উদ্ভৱ হোৱা কেতবোৰ পাতল হাইড্ৰ'কাৰ্বনৰ এটা মিশ্ৰন, যিটো স্বাভাৱিক বাতাবৰণৰ উষ্ণতা আৰু বায়ুমণ্ডলীয় চাপত গেছীয় হয় কিন্তু মধ্যমীয়া চাপ প্ৰয়োগৰ দ্বাৰা স্বাভাৱিক বাতাবৰণ উষ্ণতাত তৰল অৱস্থালৈ ঘনীভূত হ'ব পাৰে আৰু যিটো যানবাহনত ইন্ধন ৰূপে ব্যৱহাৰৰ বাবে এনে বিনিৰ্দ্দিষ্টবোৰৰ সঙ্গত হয়, যিদৰে কেন্দ্ৰীয় চৰকাৰে, ভাৰতীয় মানকৰ কাৰ্য্যালয়বোৰৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে সূচনা দিয়ে ;

(চ) "বোৰ্ড" মানে ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড ;

১৯৮৬ ৰ ৬৩ (ছ) "ভাৰতীয় মানক কাৰ্য্যালয়" মানে ভাৰতীয় মানক কাৰ্য্যালয় অধিনিয়ম, ১৯৮৬ৰ ধাৰা ৩ৰ অধীনত স্থাপিত ভাৰতীয় মানক কাৰ্য্যালয় ;

(জ) "অধ্যক্ষ" মানে ধাৰা ৪ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত বোৰ্ডৰ অধ্যক্ষ ;

(ঝ) "মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক" মানে উচ্চ চাপ প্ৰেৰণৰ বিদ্যুত প্ৰবাহৰ পঞ্জীভূত যোগানৰ পৰা মধ্যমীয়া চাপ বিতৰণ ধাতুফলকলৈ আৰু পৰৱৰ্ত্তীভাৱে এটা বিনিৰ্দ্দিষ্ট ভৌগলিক এলেকাত অৱস্থিত ঘৰুৱা, উদ্যোগিক বা বাণিজ্যিক চৌহদ আৰু সম্পীড়িত প্ৰাকৃতিক গেছ কেন্দ্ৰলৈ প্ৰাকৃতিক গেছ যোগান ধৰা চাৰ্ভিচ পাইপলৈ প্ৰাকৃতিক গেছৰ পৰিবহনৰ বাবে ব্যৱহৃত গেছৰ পাইপ লাইন আৰু সহযুক্ত সা-সজুলীৰ এটা আন্তঃসম্পৰ্কিত নেটৱৰ্ক।

স্পষ্টীকৰণ - এই খণ্ডৰ প্ৰয়োজনাৰ্থে, 'উচ্চ চাপ' আৰু মধ্যমীয়া চাপ" পদে এনে চাপক বুজাব যিদৰে কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা উচ্চ চাপ বা যথাস্থিতি মধ্যমীয়া চাপ বুলি বিনিৰ্দ্দিষ্ট কৰে ;

## পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬

(ঞ) "সাধাৰণ বাহক" মানে এটা অস্তিত্বতকৈ অধিকৰ দ্বাৰা পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ পৰিবহনৰ বাবে এনে পাইপলাইন যিদৰে বোৰ্ডে, ধাৰা ২০ৰ উপধাৰা (৩)ৰ অধীনত অপক্ষপাতিত্বঁমূলক মুকলি প্ৰবেশৰ আধাৰত সময়ে সময়ে, ঘোষণা বা প্ৰাধিকৃত কৰে, কিন্তু ই, -

(I) এজন বিনির্দ্দিষ্ট উপভোক্তালৈ পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছ, বা

(II) খাৰুৱা তেল যোগান ধৰিবলৈ স্থাপন কৰা পাইপ লাইনক অন্তৰ্ভূক্ত নকৰে;

স্পষ্টীকৰণ - এই খণ্ডৰ প্ৰয়োজনাৰ্থে, এটা চুক্তি বাহক, এটা সাধাৰণ বাহকৰূপে ব্যৱহৃত হ'ব, যদিহে -

(I) এনে চুক্তি বাহকৰ ইয়াত প্ৰবিষ্ট হোৱা ফাৰ্মৰ চুক্তিতকৈ অধিক উদ্বৃত সামৰ্থ্য থাকে ; বা

(II) ফাৰ্ম চুক্তি অৱধিৰ অৱসান হয়,

(ট) 'সম্পীড়িত প্ৰাকৃতিক গেছ কেন্দ্ৰ' মানে গেছৰ ডিপো য'ত সম্পীড়িত প্ৰাকৃতিক গেছ বিক্ৰীৰ বাবে এটা বা অধিক বিতৰণ গোটৰ উপবন্ধ কৰা হয় ;

(ঠ) 'সম্পীড়িত প্ৰাকৃতিক গেছ বা চি এন জি' মানে গেছীয় ৰূপক সঙ্কুচিত কৰি ২০০ ৰ পৰা ২৫০ ৰ পৰিসৰলৈ চাপক গতানুগতিকভাৱে সম্পীড়িত কৰি বাহনৰ বাবে ইন্ধনৰূপে ব্যৱহাৰ কৰা প্ৰাকৃতিক গেছ ;

(ড) 'চুক্তি বাহক' মানে ধাৰা ২০ৰ উপধাৰা (৩)ৰ অধীনত সময়ে সময়ে বোৰ্ডৰ দ্বাৰা ঘোষিত ৱা প্ৰাধিকৃত কৰা দৰে কমেও এবছৰৰ বাবে ফাৰ্ম চুক্তি অনুসৰণত এটা অস্তিত্বৰ অধিকাৰ দ্বাৰা পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ পৰিবহনৰ বাবে থকা এনে পাইপলাইন ;

(ঢ) "ব্যৱসায়ী" মানে এজন ব্যক্তি, ব্যক্তিসমূহৰ সন্থা, ফাৰ্ম, কোম্পানী বা সমবায় সমিতি যি নামেৰেই অভিহিত বা নিৰ্দ্দেশিত হওঁক আৰু মটৰ স্পিৰিট, উচ্চ গতিবেগৰ ডিজেল, উৎকৃষ্ট কেৰাচিন তেল বিক্ৰী, স্বয়ংচালিত তৰল পেট্ৰ'লিয়াম গেছ বা প্ৰাকৃতিক গেছৰ ক্ৰয়, গ্ৰহণ, মজুত আৰু বিক্ৰী কৰিবলৈ এটা তেল কোম্পানীৰ দ্বাৰা ইয়াক নিয়োজিত কৰা হয় ;

(ণ) 'বিতৰণকাৰী' মানে এজন ব্যক্তি ব্যক্তিসমূহৰ সন্থা, ফাৰ্ম কোম্পানী বা সমবায় সমিতি, যি নামেৰেই অভিহিত বা নিৰ্দ্দেশিত হওঁক আৰু চিলিণ্ডাৰত গ্ৰাহকৰ তৰল পেট্ৰ'লিয়াম গেছ ক্ৰয়, গ্ৰহণ, মজুত আৰু বিক্ৰী কৰিবলৈ এটা তেল কোম্পানীৰ দ্বাৰা ইয়াক নিয়োজিত কৰা হয় ;

(ত) "অস্তিত্ব" মানে এজন ব্যৱসায়ী বা বিতৰণকাৰীৰ ব্যতিৰেকে এজন ব্যক্তি, ব্যক্তিসমূহৰ সন্থা, ফাৰ্ম, কোম্পানী বা সমবায় সমিতি, যি নামেৰেই অভিহিত বা নিৰ্দ্দেশিত হওঁক আৰু যিয়ে পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছ পৰিবহনৰ

বাবে পাইপ লাইনৰ স্থাপন বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছৰ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্ম্মাণ, প্ৰৱৰ্ত্তন বা বিস্তাৰক অন্তৰ্ভুক্ত কৰি বা এটা তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেলৰ প্ৰৱৰ্ত্তনক অন্তৰ্ভুক্ত কৰি পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ শোধন, সংসাধন, মজুতকৰণ, পৰিবহণ; বিতৰণ, বিপনন, আমদানি আৰু ৰপ্তানিত নিয়োজিত বা নিয়োজিত হ'বলৈ অভিপ্ৰেত হয় ;

(থ) "উৎপাদিত দ্ৰব্যৰ বিনিয়ম" মানে সংশ্লিষ্ট অস্তিত্বৰ দ্বাৰা চুক্তিত প্ৰবিষ্টিৰ অনুসৰণত এটা পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য দিয়া আৰু গ্ৰহণ কৰা ;

(দ) "উচ্চ গতিবেগৰ ডিজেল" মানে (খনিজ কোলজা তেল আৰু টাৰপিনটাইনৰ বিকল্পক বৰ্হিভূত কৰি) কোনো হাইড্ৰ'কাৰ্বন তেল যিটো সম্পীড়িত প্ৰজ্বলন ইঞ্জিনত ইন্ধন ৰূপে ব্যৱহাৰৰ বাবে এনে বিনিৰ্দ্দিষ্ট সমূহলৈ সঙ্গত হয় যিদৰে কেন্দ্ৰীয় চৰকাৰে, ভাৰতীয় মানক কাৰ্য্যালয়ৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে অধিসূচনা দিয়ে।

(ধ) "কেৰাচিন বা উৎকৃষ্ট কেৰাচিন তেল" মানে হাইদ্ৰ'কাৰ্বনৰ এটা মধ্যমীয়া পাতন মিশ্ৰণ যিটো এনে বিনিৰ্দ্দিষ্ট সমূহলৈ সঙ্গত হয়, যিদৰে কেন্দ্ৰীয় চৰকাৰে, ভাৰতীয় মানক কাৰ্য্যালয়ৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে অধিসূচনা দিয়ে ;

(ন) "তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেল" মানে, ঃ-

(I) তৰল প্ৰাকৃতিক গেছ গ্ৰহণ কৰিবলৈ ;

(II) তৰল প্ৰাকৃতিক গেছ মজুত ৰাখিবলৈ ;

(III) তৰল প্ৰাকৃতিক গেছৰ পুনঃ গেছীয়কৰণক সমৰ্থবান কৰিবলৈ ; আৰু

(IV) সুবিধাৰ সীমাৰ বাহিৰ পৰ্য্যাপ্ত পুনৰ গেচীয় তৰল প্ৰাকৃতিক পৰিবহন কৰিবলৈ, অপেক্ষিত হোৱা সুবিধা আৰু আন্তঃগাঠনি ;

(প) "তৰল পেট্ৰ'লিয়াম গেছ" মানে প্ৰপেইন, আইচ'বোটেইন, স্বাভাৱিক বোটেন, বোটোলেনচ বা এনে আন উপাদান থকা পাতল হাইদ্ৰ'কাৰ্বনৰ এটা মিশ্ৰন যিটোৰ স্বাভাৱিক বাতাবৰণ উষ্ণতা আৰু বায়ুমণ্ডলীয় চাপত গেচীয় হয় কিন্তু চাপৰ প্ৰয়োগৰ দ্বাৰা স্বাভাৱিক বাতাবৰণৰ উষ্ণতাত ঘনীভূত অৱস্থাৰ পৰা তৰল অৱস্থালৈ ৰূপান্তৰ হ'ব পাৰে আৰু এনে বিনিৰ্দ্দিষ্ট সমূহলৈ সঙ্গত হয়, যিদৰে কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় মানক কাৰ্য্যালয়ৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে অধিসূচনা দিয়ে ;

(ফ) "স্থানীয় বিতৰণ অস্তিত্বৰ" মানে মহানগৰ বা স্থানীয় গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মানি, প্ৰৱৰ্ত্তন বা বিস্তাৰ কৰিবলৈ ধাৰা ২০ৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত এটা অস্তিত্ব ;

(ব) "বিপনন সেৱা বাধ্যবাধকতা" মানে

(I) অধিসূচিত পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্যৰ দূৰৱৰ্ত্তী এলেকাত বিপনন আন্তঃগাঠনি আৰু খুচুৰা বজাৰ গঠন কৰিবলৈ;

(II) অধিসূচিত পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্যৰ নিম্নতম জমা সংৰক্ষণ কৰিবলৈ, বাধ্যবাধকতা;

(III) উপৰোক্তলৈ প্ৰাকৃতিক গেছ যোগান ধৰিবলৈ এটা স্থানীয় বিতৰণ অস্তিত্ব; আৰু

(IV) বিনিয়মৰ দ্বাৰা বিনির্দ্দিষ্ট কৰা কৰিব পাৰে, এনে আন বাধ্যবাধকতা ;

(ভ) "সৰ্ব্বোচ্চ খুচুৰা মূল্য" মানে এটা অস্তিত্বৰ দ্বাৰা নিৰ্দ্ধাৰিত সৰ্ব্বোচ্চ মূল্য য'ত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছ খুচুৰা উপৰোক্তালৈ বিক্ৰী হয় আৰু ই আঞ্চলিক বা অন্যথা সকলো কৰ, উপকৰ আৰু উদ্‌গ্ৰহণ, ব্যৱসায়ীলৈ দিবলগীয়া ভাড়া বা কমিচনক অন্তৰ্ভূক্ত কৰে ;

(ম) "সদস্য" মানে ধাৰা ৪ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত বোৰ্ডৰ এজন সদস্য আৰু ই সদস্য (ন্যায়িক) আৰু অধ্যক্ষক অন্তৰ্ভূক্ত কৰে ;

(য) 'যান্ত্ৰিক স্পিৰিট' মানে স্ফুলিঙ্গ প্ৰজ্বলক ইঞ্জিনত ইন্ধনৰূপে ব্যৱহৃত (খাৰুৱা খনিজতেলক বৰ্হিভূত কৰি) কোনো হাইদ্ৰ'কাৰ্বনতেল, যিটো এনে বিনির্দ্দিষ্টলৈ সঙ্গত হয় যিদৰে কেন্দ্ৰীয় চৰকাৰে, ভাৰতীয় মানকৰ কাৰ্য্যালয়ৰ সৈতে পৰামৰ্শ, কৰি সময়ে সময়ে অধিসূচনা দিয়ে ;

(ক) "প্ৰাকৃতিক গেছ" মানে দীঘলীয়া গাতৰ পৰা প্ৰাপ্ত আৰু মূলগতভাবে হাইদ্ৰ'কাৰ্বনৰে গঠিত গেছ আৰু ই নিম্নলিখিত সমূহক অন্তৰ্ভূক্ত কৰে -

(I) তৰল অৱস্থাত থকা গেছ, অৰ্থাৎ তৰল প্ৰাকৃতিক গেছ আৰু পুনৰ গেচীয় তৰল প্ৰাকৃতিক গেছ;

(II) সম্পীড়িত প্ৰাকৃতিক গেছ ;

(III) সম্পীড়িত প্ৰাকৃতিক গেছ বা তৰল প্ৰাকৃতিক গেছ অন্তৰ্ভূক্ত কৰি, আন্তৰ্জাতিক পাইপ লাইন যোগেদি আমদানিকৃত গেছ,

(IV) প্ৰাকৃতিক গেছ ৰূপে গেছ হাইড্ৰেইটচৰ পৰা পুনৰুদ্ধাৰ কৰা গেছ,

(V) কয়লা স্তৰৰ পৰা প্ৰাপ্ত কৰা মিঠেইন, অৰ্থাৎ কয়লা বেড, মিঠেইন,

কিন্তু ই, এনে হাইদ্ৰ'কাৰ্বনৰ সহযোগত সংঘটিত হিলিয়ামক অন্তৰ্ভূক্ত নকৰে ;

(খ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এটা অধিসূচনা আৰু ইয়াৰ সমজাতীয় অৰ্থ আৰু ব্যাকৰণিক ৰূপভেদসহ "অধিসূচিত" পদৰ তদনুসাৰে অৰ্থ হ'ব ;

(গ) "অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছ" মানে এনে পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছ যিদৰে কেন্দ্ৰীয় চৰকাৰে, সেইবোৰৰ যোগানৰ সংৰক্ষণ বা বৃদ্ধিৰ বাবে বা সেইবোৰৰ সমবিতৰণ সুনিশ্চিত বা পৰ্য্যাপ্ত সহজলভ্যতাৰ নিশ্চিত কৰণৰ বাবে এনে কৰাটো ই আৱশ্যকীয় বা সমীচীন বুলি সন্তুষ্ট হোৱাৰ পিছত, সময়ে সময়ে সূচনা দিয়ে।

১৯৫৬ ৰ ১ (ঘ) "তেল কোম্পানী" মানে কোম্পানী অধিনিয়ম, ১৯৫৬ৰ অধীনত পঞ্জীভূত এটা কোম্পানী আৰু ই, পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ সম্পৰ্কিত কোনো কাৰ্য্যকলাপ সম্পন্ন কৰাৰ বাবে ব্যক্তিসমূহৰ কোনো

সংস্থা, সমাজ বা ফাৰ্ম, যি নামেৰেই অভিহিত হওঁক বা নিৰ্দ্দেশিত হওঁক, অন্তৰ্ভূক্ত কৰে;

(ঙ) "পেট্ৰ'লিয়াম" মানে কোনো জুলীয়া হাইড্ৰকাৰ্বন বা হাইড্ৰ'কাৰ্বনৰ মিশ্ৰন আৰু খনিজ তেল আৰু তৰল পেট্ৰ'লিয়াম গেছক অন্তৰ্ভূক্ত কৰি কোনো জুলীয়া হাইড্ৰ'কাৰ্বন থকা কোনো দাহ্য মিশ্ৰন (জুলীয়া লেতকেতীয়া বা গোটা) আৰু "পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য" পদে পেট্ৰ'লিয়ামৰ পৰা নিৰ্ম্মাণ কৰা কোনো উৎপাদিত দ্ৰব্যক বুজাব;

(চ) "পাইপ লাইন প্ৰবেশ সংকেত" মানে ধাৰা ১১ৰ খণ্ড (ঙ)ৰ উপখণ্ড (ঝ)ৰ অধীনত পাইপলাইনতপ্ৰবেশ কৰা তৃতীয় পক্ষৰ বাবে এটা মূল নীতি স্থাপনৰ সংকেত;

(ছ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত;

(জ) "বিনিয়মাৱলী" মানে এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলী;

(ঝ) "নিৰ্বন্ধিত বেপাৰৰ ব্যৱসায়" মানে বেপাৰৰ ব্যৱসায় যিটো কোনো ৰীতিত প্ৰতিযোগীতাৰ প্ৰতিষেধ নষ্ট বা নিৰ্বন্ধিত কৰাৰ প্ৰভাবী হয় বা প্ৰভাৱ থাকে আৰু বিশেষত ঃ

(I) যিয়ে উৎপাদনৰ ধাৰাবাহিকতাৰ মূলধন বা সম্পাদকৰ প্ৰবাহৰ প্ৰতিৰোধৰ প্ৰয়াস কৰে;

(II) যিয়ে মূল্য বা পৰিদানৰ চৰ্ত্তাৱলীৰ চক্ৰান্ত কৰিবলৈ বা উপভোক্তাৰ ওপৰত অন্যায়পূৰ্ণ ব্যয় বা নিবন্ধন আৰোপ কৰাৰ বিষয়ে এনে ৰীতিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছ বা কৰ্মসাধণৰ সম্পৰ্কত বজাৰত যোগানৰ প্ৰবাহ প্ৰভাৱিত কৰিবলৈ প্ৰয়াস কৰে ;

(ঞ) "খুচুৰা বজাৰ" মানে পেট্ৰল পাম্প, য'ত এক বা ততোধিক বিতৰণ পাম্প, যান্ত্ৰিক স্পিৰিট, উচ্চ গতিবেগৰ ডিজেল, স্বয়ংচালিত তৰল পেট্ৰ'লিয়াম গেছ বা প্ৰাকৃতিক গেছৰ বিক্ৰীৰ বাবে উপবন্ধত কৰা হৈছে আৰু ই, তৰল পেট্ৰ'লিয়াম গেছৰ বাবে বিতৰণকাৰী বা উৎকৃষ্ট কেৰাচিন তেলৰ বাবে ব্যৱসায়ী বা সম্পীড়িত প্ৰাকৃতিক গেছ কেন্দ্ৰক অন্তৰ্ভূক্ত কৰে ;

(ট) 'খুচুৰা সেৱাৰ বাধ্যবাধকতা' মানে কৰ্ম্মকালৰ ভিতৰত উপভোক্তাসকললৈ যোগান সংৰক্ষিত কৰাৰ বাবে ব্যৱসায়ী আৰু বিতৰণকাৰীৰ বাধ্যবাধকতা আৰু সম্পীড়িত প্ৰাকৃতিক গেছ অন্তৰ্ভূক্ত কৰি অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ অধিকতম খুচুৰা মূল্যৰ বিনিৰ্দ্দিষ্ট গুণ, পৰিমাণ আৰু প্ৰদৰ্শনৰ বাধ্যবাধকতা আৰু বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা এনে আন বাধ্যবাধকতা ;

(ঠ) "নিয়মাৱলী" মানে এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মাৱলী ;

(ড) "সচিব" মানে বোৰ্ডৰ সচিব ;

(ঢ) সাধাৰণ বাহক বা চুক্তি বাহক বা এখন মহানগৰ বা আঞ্চলিক গেছ বিতৰণ নেটৱৰ্কৰ সম্পৰ্ক, "পৰিবহন হাৰ" মানে বিনিয়মাৱলীৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ প্ৰত্যেক গোটৰ চলনশীলৰ বাবে এনে হাৰ ;

## অধ্যায় - ২

## পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড

*বোৰ্ডৰ স্থাপন আৰু ভুক্তকৰণ,*

৩। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড নামেৰে অভিহিত এখন বোৰ্ড স্থাপিত কৰিব।

(২) বোৰ্ডখন, এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে অস্থায়ী আৰু স্থায়ী উভয় সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিস্পত্তি কৰিবলৈ আৰু চুক্তি কৰিবলৈ শাশ্বত উত্তৰাধিকাৰ আৰু ক্ষমতাসহ এটা সাধাৰণ মোহৰ থকা, উপৰোক্ত নামৰ এটা নিগমিত নিকায় হ'ব আৰু উক্ত নামৰ দ্বাৰা, বাদ কৰিব বা বাদযুক্ত হ'ব।

(৩) বোৰ্ড, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত এজন অধ্যক্ষ, এজন সদস্য (ন্যায়িক) আৰু আন তিনিজন সদস্যৰে গঠিত হ'ব।

(৪) বোৰ্ডৰ মূখ্য কাৰ্য্যালয় নতুন দিল্লীত হ'ব আৰু আঞ্চলিক কাৰ্য্যালয়টো, জনসাধাৰণৰ স্বাৰ্থ আৰু কামৰ গুৰুত্বক লক্ষ্যৰাখি বোৰ্ডে আৱশ্যকীয় বুলি গণ্য দৰে এনে স্থানত হ'ব।

*অধ্যক্ষ আৰু আন সদস্যসমূহৰ নিযুক্তিৰ বাবে অৰ্হতা।*

৪। (১) কেন্দ্ৰীয় চৰকাৰে, বোৰ্ডৰ অধ্যক্ষ আৰু আন সদস্যসকলক পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ উদ্যোগ, পৰিচালনা, বিত্ত, বিধি, প্ৰশাসন বা উপভোক্তাৰ কাৰ্য্যকলাপৰ ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত ব্যক্তিৰ মাজৰ পৰা নিযুক্তি দিব ঃ

পৰন্তু কোনো ব্যক্তিক সদস্য (ন্যায়িক) ৰূপে নিয়োজিত কৰা নহ'ব যি পৰ্য্যন্ত তেওঁ-

(ক) এখন উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ হ'বলৈ অৰ্হতাযুক্ত নহয় ; বা

(খ) ভাৰতীয় ন্যায়িক সেৱাৰ এজন সদস্য নহয় আৰু কমেও তিনিবছৰৰ বাবে সেই সেৱাৰ প্ৰথম শ্ৰেণীৰ এটা পদ ধাৰণ নকৰে ;

(২) কেন্দ্ৰীয় চৰকাৰে, বোৰ্ডৰ অধ্যক্ষ আৰু পশ্চাৎৱৰ্ত্তী সদস্য নিৰ্ব্বাচনৰ প্ৰয়োজনাৰ্থে আৰু আপীল ন্যায়াধিকৰণৰ (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ)ৰ কাৰিকৰী সদস্য ৰূপে নিযুক্তিৰ বাবে বিবেচনা কৰিবলৈ ব্যক্তিসকলৰ এখন তালিকা প্ৰস্তুতকৰণৰ বাবে, নিম্নলিখিতসমূহেৰে গঠিত এখন অন্বেষন সমিতি গঠন কৰিব।

(I) শক্তি খণ্ডৰ দায়িত্বত থকা পৰিকল্পনা আয়োগৰ, সদস্যজন - অধ্যক্ষ ;

(II) ভাৰত চৰকাৰৰ সচিবজন, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছৰ মন্ত্ৰালয়ৰ - সদস্য;

(III) ভাৰত চৰকাৰৰ সচিবজন, বিত্ত মন্ত্ৰালয়, অৰ্থনৈতিক কাৰ্য্যাবিভাগৰ - সদস্য ;

(IV) বাণিজ্যৰ দায়িত্বত থকা ভাৰত চৰকাৰৰ সচিব, বানিজ্য আৰু উদ্যোগৰ মন্ত্ৰালয়ৰ - সদস্য হ'ব ; আৰু

(V) ভাৰত চৰকাৰৰ সচিবজন, ন্যায়িক কাৰ্য্যৰ বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ - সদস্য।

*অধ্যক্ষ আৰু আন সদস্যৰ পদাবধি, সেৱাৰ চৰ্ত্তাৱলী, ইত্যাদি।*

৫। (১) অধ্যক্ষ বা আন সদস্যৰূপে কোনো ব্যক্তি নিযুক্তি দিয়াৰ পূৰ্বে, কেন্দ্ৰীয় চৰকাৰ নিজেই সন্তুষ্ট হ'ব যে এনে ব্যক্তিৰ কোনো বিত্তীয় বা আন স্বাৰ্থ নাথাকিব যিয়ে অধ্যক্ষ বা এনে আন সদস্যৰূপে তেওঁৰ কৃত্যৰ ওপৰত প্ৰতিকুলভাৱে প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা থাকে।

(২) অধ্যক্ষ আৰু আন সদস্যই, তেওঁলোকে তেওঁলোকৰ কাৰ্য্যালয়ত প্ৰৱিষ্ট হোৱা তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে পদধাৰণ কৰিব বা যি পৰ্য্যন্ত তেওঁলোকে পয়ষষ্ঠি বছৰ প্ৰাপ্ত নকৰে, যিটোৱেই আগতীয়া হয় ঃ

পৰন্তু অধ্যক্ষ আৰু আন সদস্য পুনৰ নিযুক্তিৰ বাবে যোগ্য নহ'ব।

স্পষ্টীকৰণ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, অধ্যক্ষ ৰূপে এজন সদস্য নিযুক্তিক, পুনৰ নিযুক্তি বুলি গণ্য কৰা নহ'ব।

(৩) কেন্দ্ৰীয় চৰকাৰ, এখন ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰ বা এখন ৰাজ্য চৰকাৰৰ দ্বাৰা স্বামিত্বাধীন বা নিয়ন্ত্ৰিত এটা উপক্ৰম, নিগম বা কোম্পানী কোনো আন বেচৰকাৰীৰ বা নিগমিত নিকায়ৰ সেৱাত থকা এজন ব্যক্তিয়ে অধ্যক্ষ বা যথাস্থিতি সদস্যৰূপে যোগদান কৰাৰ পূৰ্বে এনে সেৱাৰ পৰা পদত্যাগ কৰিব বা অৱসৰ ল'ব।

(৪) অধ্যক্ষ আৰু আন সদস্যলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব ঃ

পৰন্তু অধ্যক্ষ বা কোনো আন সদস্যৰ বেতন আৰু ভাত্তা বা সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী কোনোটোৱেই নিযুক্তিৰ পিচত তেওঁৰ অসুবিধাত পৰিবৰ্ত্তন কৰা নহ'ব।

(৫) অধ্যক্ষ বা আন সদস্যই, কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ বিষয়ে লিখিতভাৱে জাননীৰ দ্বাৰা তেওঁৰ পদ ত্যাগ কৰিব পাৰে আৰু এনে পদত্যাগ স্বীকৃত হোৱাত, অধ্যক্ষ বা এনে আন সদস্যই তেওঁ পদৰিক্ত কৰা বুলি গণ্য কৰা হ'ব।

(৬) অধ্যক্ষ বা কোনো আন সদস্যই এনেদৰে পদধাৰণ নকৰাত -

(ক) কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্য চৰকাৰৰ অধীনত অতিৰিক্ত নিয়োজনৰ বাবে অনুপযুক্ত হ'ব ; আৰু

(খ) তেওঁৰ এনে পদ ধাৰণৰ সমাপ্তিৰ তাৰিখৰ পৰা দুই বছৰৰ এটা কালৰ বাবে কোনো বাণিজ্যিক নিয়োজন গ্ৰহণ নকৰিব।

স্পষ্টীকৰণ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে "বাণিজ্যিক নিয়োজন" মানে কোনো ক্ষেত্ৰত ব্যৱসায়, বাণিজ্যিক, উদ্যোগিক বা বিত্তীয় ব্যৱসায়ত জড়িত এজন ব্যক্তিৰ কোনো সামৰ্থ্যত বা

এজেন্সীত কৰা নিয়োজন আৰু ই, এটা কোম্পানীৰ এজন সঞ্চালক বা এখন ফাৰ্মৰ ভাগীদাৰ বা এখন ফাৰ্মৰ স্বাধীনভাৱে বা ভাগীদাৰ ৰূপে বা এজন উপদেষ্টা বা এজন পৰামৰ্শদাতাৰূপে ব্যৱসায় কৰা ব্যক্তিকো অন্তৰ্ভূক্ত কৰে।

*অধ্যক্ষৰ ক্ষমতা*

(৬) অধ্যক্ষজনৰ, বোৰ্ডৰ কামকাজৰ পৰিচালনাত সাধাৰণ অধীক্ষণ আৰু নিৰ্দ্দেশনাৰ ক্ষমতা থাকিব আৰু বোৰ্ডৰ সভাত সভাপতিত্ব কৰাৰ উপৰিও বোৰ্ডৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা বোৰ্ডৰ এনে আন ক্ষমতা আৰু কৃত্য প্ৰয়োগ আৰু নিৰ্ব্বহন কৰিব।

*অধ্যক্ষ বা আন সদস্যক পদৰ পৰা অপসাৰণ।*

(৭) কেন্দ্ৰীয় চৰকাৰে, অধ্যক্ষ বা আন সদস্যক পদৰ পৰা অপসাৰণ কৰিব পাৰে ; যিজন

(ক) দেউলীয়া ৰূপে ন্যায়নিৰ্ণীত হৈছে ; বা

(খ) কেন্দ্ৰীয় চৰকাৰৰ মতত, নৈতিক ভ্ৰষ্টতাৰ জড়িত কোনো অপৰাধত দোষীসাব্যস্ত হৈছে; বা

(গ) এজন সদস্যৰূপে কাৰ্য্য কৰিবলৈ শাৰিৰীক বা মানসিকভাৱে অসমৰ্থ হয় ; বা

(ঘ) এজন সদস্যৰূপে তেওঁ কৃত্যৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা থকা এনে বিত্তীয় বা আন স্বাৰ্থ অৰ্জিত কৰিছে ; বা

(ঙ) তেওঁৰ পদ এনেদৰে অপব্যৱহাৰ কৰিছে যে তেওঁৰ পদৰ নিৰন্তৰতাই জনসাধাৰণৰ স্বাৰ্থত প্ৰতিকূল প্ৰভাৱ পেলায় ঃ

পৰন্তু কোনো অধ্যক্ষ বা আন সদস্যক খণ্ড (ঘ) বা খণ্ড (ঙ)ৰ অধীনত পদৰ পৰা অপসাৰিত কৰা নহ'ব যিপৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰ, এই প্ৰয়োজনৰ বাবে নিয়োজিত কোনো ব্যক্তি বা গঠিত প্ৰাধিকাৰীৰ দ্বাৰা এটা অনুসন্ধান কৰাৰ পিছত আৰু এই মৰ্ম্মে বিহিত কৰা দৰে এনে প্ৰক্ৰিয়াৰ অনুসৰণত এনে ব্যক্তিক এনে কাৰণ বা কাৰণসমূহৰ বাবে অপসাৰণ কৰাটো উচিত বুলি তেওঁ সন্তুষ্ট নহয়।

*বোৰ্ডৰ সভা*

৮। (১) বোৰ্ড, এনে সময়ত আৰু স্থানত বহিব আৰু বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰা দৰে (এনে সভাৰ থূল অন্তৰ্ভূক্ত কৰি) ইয়াৰ সভাত ব্যৱসায়ৰ লেনদেনৰ সম্বন্ধত এনে প্ৰক্ৰিয়া অনুপালন কৰিব।

(২) অধ্যক্ষ বা যদি তেওঁ, বোৰ্ডৰ এখন সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, বোৰ্ডলৈ নিয়োজন কৰা তাৰিখৰ পৰা গননা কৰা উপস্থিত জ্যোষ্ঠতম সদস্যই সভাত সভাপতিত্ব কৰিব ঃ

পৰন্তু সদস্যৰ নিয়োজনৰ একেই তাৰিখৰ ক্ষেত্ৰত, বয়সত জ্যেষ্ঠ সদস্যজনক আন সদস্যতকৈ জ্যেষ্ঠ ৰূপে বিবেচিত কৰা হ'ব।

(৩) বোৰ্ডৰ কোনো সভাত উত্থাপিত সকলো প্ৰশ্ন, উপস্থিত থকা আৰু ভোট দিয়া সদস্যৰ এটা সংখ্যাগৰিষ্ঠৰ দ্বাৰা বিনিশ্চিত কৰা হ'ব আৰু ভোটৰ সমানতাৰ ক্ষেত্ৰত, অধ্যক্ষৰ বা তেওঁ অনুপস্থিতিত, সভাপতিত্ব কৰা ব্যক্তিজনৰ এটা দ্বিতীয় বা নিৰ্ণায়ক ভোট থাকিব।

(৪) বোৰ্ডৰ সকলো আদেশ আৰু বিনিশ্চয়, এই মৰ্ম্মে অধ্যক্ষৰ দ্বাৰা সম্যকভাবে প্ৰাধিকৃত বোৰ্ডৰ সচিব বা কোনো আন পদাধিকাৰীৰ দ্বাৰা অধিপ্ৰমাণীত কৰা হ'ব।

*বোৰ্ডৰ কাৰ্য্যবাহী, ৰিক্তি, ইত্যাদিৰ বাবে অবৈধ নহ'ব।*

৯। বোৰ্ডৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী কেৱল নিম্নলিখিত কাৰণৰ দ্বাৰা অবৈধ নহ'ব -

(ক) বোৰ্ডৰ কোনো ৰিক্তি বা গঠনৰ কোনো ত্ৰুটী ; বা

(খ) বোৰ্ডৰ এজন সদস্যৰূপে কাৰ্য্যকৰা এজন ব্যক্তিৰ নিয়োজনত থকা কোনো ত্ৰুটী ; বা

(গ) গোচৰৰ গুণাগুণক প্ৰভাৱী নকৰা বোৰ্ডৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মতা।

*বোৰ্ডৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দ।*

১০। (১) কেন্দ্ৰীয় চৰকাৰে, বোৰ্ডৰ পৰামৰ্শত, বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে অধ্যক্ষৰ নিয়ন্ত্ৰণৰ অধীনত, এনে ক্ষমতা আৰু কৰ্ত্তব্য কাৰ্য্যকৰী আৰু সম্পাদন কৰিবলৈ এজন সচিবক নিযুক্তি দিব পাৰে ঃ

পৰন্তু বোৰ্ডৰ প্ৰথম সচিবৰ নিযুক্তিৰ বাবে এনে কোনো পৰামৰ্শৰ আৱশ্যক নহ'ব।

(২) বোৰ্ডে, কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনসহ, ইয়াৰ কৃত্যৰ সুদক্ষ নিৰ্ব্বহনত বোৰ্ডক সহায়তা কৰিবলৈ অপেক্ষিত আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ সংখ্যা, প্ৰকৃতি আৰু শ্ৰেণীৰ নিৰ্দ্ধাৰণ কৰিব পাৰে।

(৩) বোৰ্ডৰ সচিব, আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দক দিবলগীয়া বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী, বিহিত কৰা দৰে এনে হ'ব।

(৪) বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা নিৰ্দ্ধাৰিণ কৰা দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত ইয়াৰ কৃত্যৰ নিৰ্ব্বহনত সহায়তা কৰিবলৈ অপেক্ষিত পৰামৰ্শদাতাক নিযুক্তি দিব পাৰে।

## অধ্যায় - ৩
## বোৰ্ডৰ কৃত্য আৰু ক্ষমতা

*বোৰ্ডৰ কৃত্য।*

১১। বোৰ্ডে -

(ক) অস্তিত্বৰ মাজত উচিত ব্যৱসায় আৰু প্ৰতিযোগিতাৰ পৃষ্ঠপোষকতাৰ দ্বাৰা উপভোক্তাৰ স্বাৰ্থৰ সুৰক্ষা দিব ;

(খ) অস্তিত্বক ;

(I) অধিসূচিত পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু কেন্দ্ৰীয় চৰকাৰৰ চুক্তিবদ্ধ বাধ্যবাধকতাৰ সাপেক্ষে, প্ৰাকৃতিক গেছৰ বিপননৰ ;

(II) তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেল স্থাপন আৰু প্ৰবৰ্ত্তনৰ ;

(III) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সামৰ্থ্যৰ অধিকতম হোৱা পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বাবে মজুতকৰণ সুবিধাৰ স্থাপনৰ পঞ্জীয়ন কৰিব;

(গ) অস্তিত্বক,

(I) এটা সাধাৰণ বাহক বা চুক্তি বাহক স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ;

(II) মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ প্ৰাধিকৃত কৰিব ;

(ঘ) পাইপলাইনবোৰক, সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে ঘোষণা কৰিব ;

(ঙ) বিনিয়মাৱলীৰ দ্বাৰা -

(I) অস্তিত্বৰ মাজত উচিত ব্যৱসায় আৰু প্ৰতিযোগিতাৰ সুনিশ্চিত কৰাৰ বাবে সাধাৰণ বাহক বা চুক্তি বাহকৰ প্ৰৱেশাধিকাৰ বিনিয়মিত কৰিব আৰু সেই প্ৰয়োজনৰ বাবে পাইপলাইন প্ৰবিষ্টি সংকেত বিনিৰ্দ্দষ্ট কৰিব ;

(II) সাধাৰণ বাহক বা চুক্তি বাহকৰ বাবে পৰিবহন হাৰ ;

(III) পাইপলাইন প্ৰবেশাধিকাৰ, সংকেত অনুসৰি অস্তিত্বৰ মাজত উচিত ব্যৱসায় আৰু প্ৰতিযোগিতা সুনিশ্চিত কৰাৰ বাবে মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ প্ৰবেশাধিকাৰ বিনিয়মাৱলীৰ দ্বাৰা বিনিয়মিত কৰিব ;

(চ) অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ সম্বন্ধত -

(I) পৰ্য্যাপ্ত সহজলভ্যতা সুনিশ্চিত কৰিব ;

(II) খুচুৰা বজাৰত উপভোক্তাৰ বাবে অস্তিত্বৰ দ্বাৰা নিদ্ধাৰিত অধিকতম খুচুৰা মূল্যৰ বিষয়ে তথ্যৰ প্ৰদৰ্শন সুনিশ্চিত কৰিব ;

(III) অস্তিত্বসমূহৰ দ্বাৰা নিৰ্বন্ধিত বেপাৰ ব্যৱসায়ক প্ৰতিষেধ কৰিবলৈ নিৰীক্ষন মূল্য কৰিব আৰু শুদ্ধ ব্যৱস্থা গ্ৰহণ কৰিব ;

(IV) পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্যৰ বাবে পক্ষপাতহীন বিতৰণ সুনিশ্চিত কৰিব ;

(V) খুচুৰা বজাৰৰ বাবে খুচুৰা সেৱা বাধ্যবাধকতা আৰু অস্তিত্বসমূহৰ বাবে বিপনন সেৱা বাধ্যবাধকতাৰ উপবন্ধ আৰু বলবৎ কৰিব ;

(VI) পৰিবহন হাৰ নিৰীক্ষন কৰিব আৰু অস্তিত্বৰ দ্বাৰা নিৰ্বন্ধিত বেপাৰ ব্যৱসায় প্ৰতিষেধ কৰিবলৈ শুদ্ধ কাৰ্য্যব্যৱস্থা লব।

(ছ) বিনিয়মাৱলীৰ দ্বাৰা অৱধাবিত কৰা মাচুল আৰু আন প্ৰভাব উদগ্ৰহণ কৰিব ;

(জ) পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ সম্পৰ্কিত কাৰ্য্যকলাপৰ ওপৰত তথ্যৰ এটা ডাটা বেঙ্ক পৰিচালনা কৰিব ;

(ঝ) নিম্নপ্ৰবাহী পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ খণ্ডৰ সম্পৰ্কিত পাইপলাইনৰ, নিৰ্ম্মাণ আৰু প্ৰৱৰ্ত্তন আৰু আন্তঃগাঠনি প্ৰকল্পক অন্তৰ্ভূক্ত কৰি পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ সম্পৰ্কিত কামকাজত সুৰক্ষা মানদণ্ডক অন্তৰ্ভূক্ত কৰি, কাৰিকৰী মানদণ্ড আৰু বিনিৰ্দ্দিষ্টকৰণক বিনিয়মাৱলীৰ দ্বাৰা স্থাপন কৰিব ;

(ঞ) এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইয়ালৈ ন্যস্ত কৰাদৰে এনে আন কৃত্যসমূহ সম্পাদন কৰিব ;

*বোৰ্ডৰ দ্বাৰা অভিযোগৰ আৰু বিবাদৰ সংকল্প প্ৰস্তাৱৰ সম্বন্ধত ক্ষমতা।*

১২। (১) বোৰ্ডৰ, -

(ক) পক্ষসমূহে মধ্যস্থতাৰ বাবে সন্মত নোহোৱালৈকে অধ্যায় Vৰ উপবন্ধাৱলী অনুসৰি

পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ শোধন, সংসাধন, মজুতকৰণ, পৰিবহন, বিতৰণ, বিপনন আৰু বিক্ৰী সম্পৰ্কিত বিষয়ৰ ওপৰত অস্তিত্বসমূহৰ মাজত বা এটা অস্তিত্ব আৰু কোনো আন ব্যক্তিৰ ভিতৰত উদ্ভৱ হোৱা কোনো বিবাদ বা বিষয়ত ন্যায়নিৰ্ণয় আৰু বিনিশ্চয় কৰিবলৈ অধিকাৰিতা থাকিব।

(খ) কোনো ব্যক্তিৰ পৰা কোনো অভিযোগ প্ৰাপ্ত কৰিবলৈ আৰু নিম্নলিখিতসমূহৰ উলঙ্ঘনত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ সম্পৰ্কিত কামকাজৰ সৈতে জড়িত কোনো তদন্ত আৰু অনুসন্ধান পৰিচালনা কৰিবলৈ অধিকাৰিতা থাকিব -

(I) খুচুৰা সেৱা বাধ্যবাধকতা ;

(II) বিপনন সেৱা বাধ্যবাধকতা ;

(III) খুচুৰা বজাৰত খুচুৰা মূল্য প্ৰদৰ্শন কৰা ;

(IV) নিবন্ধন আৰু চৰ্ত্তাৱলী, যাৰ সাপেক্ষে এটা পাইপলাইনক, সাধাৰণ বাহক বা চুক্তি বাহক বা আন অস্তিত্বৰ বাবে প্ৰবেশাধিকাৰৰূপে ঘোষণা কৰা হৈছে, এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কলৈ অনুমতিপ্ৰাপ্ত হৈছিল বা সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে এটা পাইপলাইন স্থাপন কৰা, নিৰ্ম্মাণ কৰা, বিস্তাৰ কৰা বা প্ৰবৰ্ত্তন কৰাৰ বাবে এটা অস্তিত্বলৈ প্ৰাধিকৰণ মঞ্জুৰ কৰা হৈছে বা এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন কৰা, নিৰ্ম্মাণ কৰা, বিস্তাৰ কৰা বা প্ৰৱৰ্ত্তন কৰাৰ বাবে এটা অস্তিত্বলৈ প্ৰাধিকৰণ মঞ্জুৰ কৰা হৈছে ;

(V) এই অধিনিয়মৰ কোনো আন উপবন্ধ বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলী বা আদেশ।

(২) যেতিয়া, উপধাৰা (১)ৰ অধীনত এটা অভিযোগ বিনিশ্চয় কৰে, বোৰ্ডে, এনে আদেশ পাৰিত কৰে আৰু ই, উচিত গণ্য কৰা দৰে এনে নিৰ্দ্দেশনা জাৰী কৰে বা অধ্যায় ৫ৰ উপৱন্ধাৱলী অনুসৰি অনুসন্ধানৰ বাবে বিষয়টো প্ৰেৰণ কৰিব পাৰে।

*বোৰ্ডৰ প্ৰক্ৰিয়া।* ১৩। (১) বোৰ্ডৰ, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনৰ প্ৰয়োজনাৰ্থে, নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত, এটা বাদৰ বিচাৰ কৰোতে চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰা দৰে একে ক্ষমতা থাকিব, অৰ্থাৎ ঃ-

*১৯০৮ ৰ ৫* (ক) কোনো ব্যক্তিৰ উপস্থিতিৰ চমন কৰা আৰু বলবৎ কৰা আৰু তেওঁক শপতত পৰীক্ষা কৰা ;

*১৮৭২ ৰ ১* (খ) ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ ধাৰা ১২৩ আৰু ১২৪ৰ উপাৱন্ধাৱলীৰ সাপেক্ষে, কোনো কাৰ্য্যালয়ৰ পৰা কোনো লোক অভিলেখ বা দস্তাৱেজ বা এনে অভিলেখ বা দস্তাবেজৰ এটা প্ৰতিলিপি অধিগ্ৰহণ কৰা আৰু এনে দস্তাবেজৰ পেচকৰণ ;

(গ) শপতপত্ৰত সাক্ষ্য লাভ কৰা ;

(ঘ) সাক্ষী বা দস্তাবেজৰ পৰীক্ষণৰ বাবে কমিচন জাৰী কৰা ;

(ঙ) ত্ৰুটীৰ বাবে এখন আবেদনৰ খাৰিজকৰণ আৰু একপক্ষীয়ভাৱে ইয়াক বিনিশ্চয় কৰা ;

(চ) ত্ৰুটীৰ বাবে কোনো আবেদনৰ খাৰিজকৰণৰ কোনো আদেশ বাতিল কৰে আৰু ইয়াৰ দ্বাৰা একপক্ষীয়ভাৱে কোনো আদেশ পাৰিত কৰে ;

(ছ) অন্তৰ্বৰ্ত্তীকালীন উপশম মঞ্জুৰ কৰা ;

(জ) ইয়াৰ বিনিশ্চয়ৰ পুনৰীক্ষণ কৰা ; আৰু

(ঝ) বিহিত কৰা কোনো আন বিষয়।

১৮৬০ ৰ ৪৫ (২) বোৰ্ডত কৰা প্ৰত্যেক কাৰ্য্যবাহীক, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৩ আৰু ২২৪ অৰ্থৰ ভিতৰত আৰু ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে এটা ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হ'ব আৰু বোৰ্ডক, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধ্যায় ২৬ৰ প্ৰয়োজনাৰ্থে, এখন চিভি ন্যায়ালয় বুলি গণ্য কৰা হ'ব।

১৯৭৪ ৰ ২

(৩) বোৰ্ডক, নৈসৰ্গিক ন্যায়ৰ নীতিৰ দ্বাৰা পৰিচালিত কৰা হ'ব আৰু এই অধিনিয়মৰ আন উপাবন্ধাৱলী আৰু ইয়াৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ সাপেক্ষে, ইয়াৰ ব্যৱসায় পৰিচালনা কৰা স্থানসমূহক অন্তৰ্ভূক্ত কৰি ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতা থাকিব।

## অধ্যায় - ৪

## পঞ্জীয়ন আৰু প্ৰাধিকৰণ

পঞ্জী ১৪। (১). এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে অস্তিত্বৰ এনে সবিশেষ সন্নিবিষ্ট হোৱা পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ পঞ্জী নামেৰে অভিহিত এখন পঞ্জী বোৰ্ডৰ মুখ্য কাৰ্য্যালয়ত ৰখা হ'ব।

(ক) যিবোৰ নিম্নলিখিত সমূহৰ বাবে পঞ্জীকৃত

(I) অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বিপনন, বা

(II) তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেলৰ স্থাপন আৰু প্ৰবৰ্ত্তন, বা

(III) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাদৰে এনে সামৰ্থ্যৰ অধিক পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বাবে মজুতকৰণৰ সুবিধা স্থাপন কৰা; বা

(খ) যিবোৰ নিম্নলিখিত সমূহৰ বাবে প্ৰাধিকৃত -

(I) এটা সাধাৰণ বাহকৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা, বা

(II) বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধ কৰাদৰে এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা।

(২) বোৰ্ডৰ দ্বাৰা সংৰক্ষিত কৰিবলৈ আৰু বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত এজন পদাধিকাৰীৰ দ্বাৰা এনেদৰে প্ৰমাণিত কৰিবলৈ তাৎপৰ্যিত হোৱা পঞ্জীত কোনো প্ৰবিষ্টিৰ এটা প্ৰতিলিপি, মূলৰ অতিৰিক্ত প্ৰমাণ বা উত্থাপন বিনা সকলো ন্যায়ালক আৰু সকলো কাৰ্য্যবাহীত সাক্ষ্যত স্বীকৃত হ'ব।

(৩) পঞ্জীখন, বোৰ্ডৰ মুখ্য কাৰ্য্যালয়ত লোক পৰিদৰ্শনৰ বাবে মুকলি থাকিব।

(৪) কোনো ব্যক্তিয়ে, বোৰ্ডলৈ কৰা আবেদনৰ ওপৰত আৰু বিনিয়মাৱলীৰ দ্বাৰা বোৰ্ডে অৱধাৰিত কৰাদৰে এনে মাচুলৰ আদায়ত, পঞ্জীত কোনো প্ৰবিষ্টিৰ এটা প্ৰমাণিত প্ৰতিলিপি প্ৰাপ্ত কৰিব পাৰে।

*অস্তিত্বৰ পঞ্জীয়ণ।* ১৫। (১) (ক) কোনো অধিসূচিত পেট্ৰ'লিয়াম বা পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বিপনণৰ ; বা

(খ) এটা তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেলৰ স্থাপন বা প্ৰবৰ্ত্তনৰ ; বা

(গ) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সামৰ্থ্যৰ অধিক পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বাবে মজুতকৰণ সুবিধা স্থাপনৰ বাবে আৰু বিহিত কৰাদৰে অৰ্হতাযুক্ত চৰ্ত্তাৱলী পূৰণ কৰিবলৈ ইচ্ছুক প্ৰত্যেক অস্তিত্বই এই অধিনিয়মৰ অধীনত ইয়াৰ পঞ্জীয়নৰ বাবে বোৰ্ডলৈ এখন আবেদন দিব ঃ

পৰন্তু এই অধিনিয়মৰ অধীনত কোনো পঞ্জীয়ণক নিয়ত দিনৰ অব্যৱহৃত পূৰ্ব্বে খণ্ড (ক) বা খণ্ড (খ) বা খণ্ড (গ)ত নিৰ্দ্দেশিত কোনো কাৰ্য্যকলাপ কাৰ্য্যান্বিত কৰা কোনো অস্তিত্বৰ বাবে অপেক্ষিত কৰা নহ'ব কিন্তু নিয়ত দিনৰ পৰা ছয়মাহৰ ভিতৰত এনে কাৰ্য্যকলাপৰ বিষয়ে বোৰ্ডক সূচনা দিব।

(২) উপধাৰা (১)ৰ অধীনত পঞ্জীয়নৰ বাবে প্ৰত্যেক আবেদন বোৰ্ডে বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰাদৰে এনে প্ৰপত্ৰত আৰু এনে ৰীতিত আৰু এনে মাচুলসহ কৰা হ'ব।

(৩) বোৰ্ডে, এনে তদন্তৰ কৰাৰ পিচত আৰু ই, বিনিৰ্দ্দিষ্ট কৰাৰ দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে, উপধাৰা (১)ৰ খণ্ড (ক) বা খণ্ড (খ) বা যথাস্থিতি খণ্ড (গ)ত নিৰ্দ্দেশিত কাৰ্য্যকলাপ প্ৰাৰম্ভ আৰু সম্পন্নৰ অনুমতি দি অস্তিত্বলৈ পঞ্জীয়ণৰ এখন প্ৰমাণপত্ৰ মঞ্জুৰ কৰিব পাৰে।

(৪) বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰা দৰে এনে ৰীতিত উপধাৰা (৩)ৰ অধীনত মঞ্জুৰীকৃত পঞ্জীয়ণৰ এখন প্ৰমাণ পত্ৰ নিলম্বন বা বাতিল কৰিব পাৰেঃ

পৰন্তু এই উপধাৰাৰ অধীনত কোনো আদেশ প্ৰণীত কৰা নহ'ব যিপৰ্য্যন্ত অস্তিত্ব সম্পৰ্কে শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

*প্ৰাধিকৰণ।* ১৬। কোনো অস্তিত্বই -

(ক) এটা সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে কোনো পাইপলাইনৰ স্থাপন, নিৰ্ম্মাণ বা প্ৰবৰ্ত্তন বা বিস্তাৰ নকৰিব,

(খ) এই অধিনিয়মৰ অধীনত প্ৰাধিকৰণ প্ৰাপ্ত বিনা কোনো মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ নকৰিব ঃ

পৰন্তু -

(I) সাধাৰণ বাহক বা চুক্তি বাহকৰ ৰূপে কোনো পাইপলাইনৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা; বা

(II) কোনো মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা এটা অস্তিত্বই ;

নিয়ত দিনৰ অব্যৱহৃত পূৰ্বে এই অধ্যায়ৰ উপবন্ধাৱলীৰ সাপেক্ষে এনে প্ৰাধিকৰণ পোৱা বুলি গণ্য হ'ব, কিন্তু প্ৰয়োজন বা ব্যৱহাৰত কোনো পৰিবৰ্ত্তনে, বোৰ্ডৰ দ্বাৰা মঞ্জুৰীকৃত পৃথক প্ৰাধিকৰণ অপেক্ষিত কৰিব।

*প্ৰাধিকৰণৰ বাবে আবেদন।*

১৭। (১) এটা সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে এটা পাইপলাইন স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা বা স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ প্ৰস্তাৱ দিয়া এটা অস্তিত্বই, এই অধিনিয়মৰ অধীনত এটা প্ৰাধিকৰণ প্ৰাপ্ত কৰাৰ বাবে বোৰ্ডলৈ লিখিতভাৱে আবেদন কৰিব ঃ

পৰন্তু নিয়ত দিনৰ পূৰ্বে কোনো সময়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত সাধাৰণ বাহক বা চুক্তি বাহকৰূপে কোনো পাইপলাইন স্থাপন, নিৰ্ম্মাণ, প্ৰৱৰ্ত্তন বা বিস্তাৰ কৰা এটা অস্তিত্বই নিয়ত দিনৰ পৰা ছয়মাহৰ ভিতৰত বোৰ্ডৰ এনে কাৰ্য্যকলাপৰ সবিশেষবোৰ দাখিল কৰিব।

(২) এখন মহানগৰ বা স্থানীয় প্ৰাধিকৃত গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বৃদ্ধি কৰা বা স্থাপন , নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ প্ৰস্তাৱ দিয়া এটা অস্তিত্বই, এই অধিনিয়মৰ অধীনত কোনো প্ৰাধিকৰণ প্ৰাপ্ত কৰাৰ বাবে লিখিতভাবে আবেদন কৰিব ঃ

পৰন্তু নিয়ত দিনৰ পূৰ্বে কোনো সময়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত কোনো মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ এটা অস্তিত্বই নিয়ত দিনৰ পৰা ছয়মাহৰ ভিতৰত বোৰ্ডৰ এনে কাৰ্য্যকলাপৰ সবিশেষবোৰ দাখিল কৰিব।

(৩) উপধাৰা (১)ৰ উপধাৰা (২)ৰ অধীনত প্ৰত্যেক আবেদন, বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাদৰে এনে প্ৰ-পত্ৰত আৰু এনে ৰীতিত আৰু এনে মাচুলসহ কৰিব পাৰে।

(৪) এই অধিনিয়মৰ উপাবন্ধাৱলীৰ সাপেক্ষে আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উত্থাপিত ৰীতি আৰু নীতিৰ পথপ্ৰদৰ্শক সুসঙ্গত হোৱাত, বোৰ্ডে উচিত বুলি ভবাদৰে এনে সংশোধন বা চৰ্ত্তাৱলীৰ সাপেক্ষে, যদি কিবা থাকে, ইয়ালৈ দিয়া এখন আবেদন প্ৰত্যাখ্যান বা গ্ৰহণ কৰিব পাৰে।

(৫) এখন আবেদনৰ নামাঞ্জুৰ বা চৰ্ত্তাধীন গ্ৰহণৰ ক্ষেত্ৰত বোৰ্ডে, এনে প্ৰত্যাখ্যান বা যথাস্থিতি, চৰ্ত্তাধীন গ্ৰহণৰ বাবে থকা কাৰণসমূহক লিখিত ভাবে অভিলিখিত কৰিব।

*আবেদনৰ প্ৰচাৰ।*

১৮। বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাদৰে অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ বিপণনৰ বাবে বা এটা তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেল স্থাপন আৰু প্ৰবৰ্ত্তনৰ বাবে বা সামৰ্থ্যৰ অধিক পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বাবে মজুতকৰণৰ সুবিধা স্থাপনৰ পঞ্জীয়নৰ বাবে এখন আবেদন, যেতিয়া সম্পূৰ্ণভাৱেই হওঁক বা চৰ্ত্তাৱলী বা পৰিসীমাৰ সাপেক্ষেই হওঁক, গ্ৰহণ কৰা হয়, বোৰ্ডে, যথাশীঘ্ৰে বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত হোৱাদৰে এনে প্ৰ-পত্ৰত আৰু ৰীতিত জনসাধাৰণৰ জ্ঞাত হোৱা এনে গ্ৰহণ কাৰিত কৰিব।

*প্ৰাধিকৰণৰ মঞ্জুৰ।*

১৯। (১) এটা সাধাৰণ বাহক বা চুক্তি বাহকৰ স্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰৰ বাবে বা এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰৰ প্ৰাধিকৰণৰ বাবে এখন আবেদনৰ আধাৰত বা স্ববিবেকৰ আধাৰত গ্ৰহণ কৰা হয়, তেন্তে দুটা বিনিৰ্দ্দিষ্ট স্থানৰ মাজত এটা সাধাৰণ বাহক বা চুক্তি বাহকৰ স্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ বা এটা বিনিৰ্দ্দিষ্ট ভৌগোলিক এলেকাত এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰাটো, আৱশ্যকীয় বুলি বা সমীচীন বুলি যেতিয়া বোৰ্ডে এটা মত দিয়ে, তাত বোৰ্ডে এনে কৰিবলৈ ইয়াৰ অভিপ্ৰায়ৰ বহল প্ৰচাৰ কৰিব পাৰে আৰু এনে পাইপলাইন বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰস্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ ইচ্ছুক পক্ষসমূহৰ পৰা আবেদন বিচাৰিব পাৰে।

(২) বোৰ্ডে, এনে কাৰ্য্যকলাপৰ বাবে বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাদৰে কোনো বিষয়নিষ্ঠ আৰু স্বচ্ছ ৰীতিত এটা অস্তিত্বৰ বাচনি কৰিব পাৰে।

*সাধাৰণ বাহক বা চুক্তি বাহক আৰু মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্মাণ ইত্যাদিৰ ঘোষণা কৰা।*

২০। (১) পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ পৰিবহনৰ বাবে বিদ্যমান পাইপলাইন বা বিদ্যমান মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ এটা সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে ঘোষণা কৰিবলৈ বা এনে পাইপলাইন বা নেটৱৰ্কত প্ৰবেশাধিকাৰ বিনিয়মিত কৰিবলৈ বা অনুমতি দিয়াটো আৱশ্যকীয় বা সমীচীন বুলি যদিহে বোৰ্ডৰ এটা অভিমত হয়, এনেদৰে কৰিবলৈ ইয়াৰ অভিপ্ৰায়ৰ বহল প্ৰচাৰ কৰিব আৰু এনে বিনিশ্চয়ৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা সকলো ব্যক্তি আৰু অস্তিত্বৰ পৰা এটা বিনিৰ্দ্দিষ্ট সময়ৰ ভিতৰত আপত্তি আৰু পৰামৰ্শ বিচাৰিব।

(২) উপধাৰা (১)ৰ প্ৰয়োজনাৰ্থে বোৰ্ডে পাইপলাইন বা নেটৱৰ্কৰ অৰ্জনত অস্তিত্বক, শুনানীৰ এটা সুযোগৰ উপবন্ধিত কৰিব আৰু নিবন্ধন আৰু চৰ্ত্তাৱলী নিৰ্দ্ধাৰণ যাৰ সাপেক্ষে পাইপলাইন বা নেটৱৰ্কক এটা সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে ঘোষিত কৰিব পাৰে আৰু লোকস্বাৰ্থ প্ৰতিযোগিতামূলক পৰিবহন হাৰ আৰু প্ৰথম ব্যৱহাৰৰ অধিকাৰক লক্ষ্য ৰাখি ই উচিত গণ্য কৰাদৰে এনে আদেশ পাৰিত কৰিব।

(৩) বোৰ্ডে, ধাৰা ১৯ আৰু উপধাৰা (১) আৰু (২)ৰ অধীনত বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাদৰে প্ৰক্ৰিয়াক অনুসৰণ কৰাৰ পিছত, অধিসূচনাৰ দ্বাৰা -

(ক) এটা পাইপলাইন বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কক এটা সাধাৰণ বাহক বা চুক্তি বাহকৰূপে ঘোষণা কৰে ; বা

(খ) এটা পাইপলাইনক, এটা সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে স্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ এটা অস্তিত্বক প্ৰাধিকৃত কৰে ; বা

(গ) সাধাৰণ বাহক বা চুক্তিবাহক বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কত প্ৰবেশাধিকাৰৰ অনুমতি দিয়ে ; বা

(ঘ) এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ এটা অস্তিত্বক প্ৰাধিকৃত কৰে।

(৪) বোৰ্ডে, এটা আদেশৰ দ্বাৰা, ইয়াৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলীৰ দ্বাৰা উত্থাপিত নীতিৰ অনুসৰণত এনে সংখ্যক বছৰৰ বাবে এনে এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ

বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ উপভোক্তাৰ স্বাৰ্থক সম্পূৰ্ণৰূপে সুৰক্ষা দিয়াৰ সময়ত এটা স্বচ্ছ ৰীতিত অনন্যতাৰ কালত বিনিশ্চয় কৰিব পাৰে।

(৫) এই ধাৰাৰ প্ৰয়োজনাৰ্থে বোৰ্ডক, অসফল বিনিয়োজন পৰিহাৰ কৰি যোগানৰ সংৰক্ষণ বা বৃদ্ধি কৰি অস্তিত্বসমূহৰ মাজত উন্নীতকৰণৰ প্ৰতিযোগিতাৰ উদ্দেশ্যসমূহৰ দ্বাৰা বা সমগ্ৰদেশতে পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ নিৰপেক্ষ বিতৰণ সুনিশ্চিত কৰাৰ বাবে বা পৰ্য্যাপ্ত সহজলভ্যতাৰ নিশ্চিত কৰাৰ বাবে পৰিচালনা কৰা হ'ব আৰু বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা এই ধাৰাৰ অধীনত ইয়াৰ কৃত্যসমূহৰ কাৰ্য্যকৰীকৰণত অৱধাৰিত কৰা এনে নীতি অনুসৰণ কৰিব।

*প্ৰথম ব্যৱহাৰ, ইত্যাদিৰ অধিকাৰ।*

২১। (১) পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্যৰ পৰিবহনৰ বাবে এটা পাইপলাইনৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা অস্তিত্ব বা এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰা অস্তিত্বৰ ইয়াৰ নিজা অপেক্ষাৰ বাবে প্ৰথম ব্যৱহাৰৰ অধিকাৰ থাকিব আৰু অৱশিষ্ট সামৰ্থ্যক বিপননত উচিত প্ৰতিযোগিতাৰ আৱশ্যকতা আৰু সমগ্ৰ দেশতে পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্যৰ সহজলভ্যতাক লক্ষ্য ৰাখি, ধাৰা ২০ৰ অধীনত এটা ঘোষণা জাৰী কৰাৰ পিচত, অৱধাৰিত কৰাদৰে অস্তিত্ব সমূহৰ মাজত ব্যৱহাৰ কৰা হ'ব ঃ

পৰন্তু প্ৰাকৃতিক গেছৰ বিপনন আৰু সাধাৰণ বাহক বা চুক্তি বাহকৰ আধাৰত প্ৰাকৃতিক গেছৰ পৰিবহনৰ বাবে এটা পাইপলাইনৰ স্থাপন নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ উভয়তে জড়িত হোৱা এটা অস্তিত্বৰ ক্ষেত্ৰত, বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাদৰে শাখাভুক্ত কৰা আচৰণ বিধি পালন কৰিবলৈ এনে অস্তিত্বক অপেক্ষিত কৰিব আৰু বোৰ্ডৰ দ্বাৰা অনুমতিপ্ৰাপ্ত হোৱা দৰে এনে কালৰ ভিতৰত পাইপলাইনৰ স্বামিত্বক অন্তৰ্ভূক্ত কৰি প্ৰাকৃতিক গেছৰ বিপনন আৰু পৰিবহণৰ কাৰ্য্যকলাপক পৃথক কৰিবলৈ এনে অস্তিত্বক অপেক্ষিত কৰিব পাৰে আৰু কেৱল উক্ত কালৰ ভিতৰত, এনে অস্তিত্বৰ প্ৰথম ব্যৱহাৰৰ অধিকাৰ থাকিব।

(২) প্ৰবৰ্ত্তন কৰিবলৈ প্ৰাধিকৃত এটা অস্তিত্বৰ ব্যতিৰেকে কোনো অস্তিত্বই, এটা প্ৰাধিকৃত অস্তিত্বৰূপে ইয়াক প্ৰবৰ্ত্তন কৰা অস্তিত্বলৈ সাধাৰণ বাহক বা চুক্তি বাহকৰ ব্যৱহাৰৰ বাবে পৰিবহন হাৰ আদায় দিব।

(৩) সাধাৰণ বাহক বা চুক্তি বাহক ৰূপে এটা পাইপলাইন স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ বা এখন মহানগৰ বা স্থানীয়, প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ প্ৰাধিকৃত কোনো অস্তিত্বই প্ৰাধিকৰণৰ সম্পৰ্কিত কোনো অধিকাৰৰ উলঙ্ঘণৰ প্ৰতিষেধ কৰিবলৈ বা উলংঘনৰ বাবে হোৱা লোকচানৰ পুনৰ আদায় কৰাৰ বাবে বোৰ্ডত কাৰ্য্যবাহী ৰুজু কৰিবলৈ হ'কদাৰ হ'ব।

স্পষ্টীকৰণ - এই উপধাৰাৰ প্ৰয়োজনাৰ্থে, "কোনো অধিকাৰৰ উলঙ্ঘন" মানে কোনো ব্যক্তিৰ দ্বাৰা কৰা কোনো কাৰ্য্য যিয়ে সাধাৰণ বাহক বা চুক্তি বাহকক হস্তক্ষেপ কৰে বা প্ৰাধিকৃত অস্তিত্ব প্ৰতিকূল হয়।

*পৰিবহন শুল্ক।*

২২। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা, সাধাৰণ বাহক বা

চুক্তি বাহক বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ বাবে পৰিবহন শুল্কৰ অৱধাৰণ ৰীতি প্ৰণয়ন কৰিব।

(২) উপ-ধাৰা (১)ৰ প্ৰয়োজনাৰ্থে, বোৰ্ডক, নিম্নলিখিত সমূহৰ দ্বাৰা পৰিচালিত কৰা হ'ব, অৰ্থাৎ ঃ-

(ক) প্ৰতিযোগিতা, কাৰ্য্যদক্ষতা, সম্পদৰ অৰ্থনৈতিক ব্যৱহাৰ, উৎকৃষ্ট প্ৰদৰ্শন আৰু সৰ্বাধিক বিনিয়োজনৰ উদ্‌গনি দিয়া উপাদানসমূহ ;

(খ) উপভোক্তাৰ স্বাৰ্থক সুৰক্ষা দিয়া আৰু একে সময়তে যুক্তিসঙ্গত ৰীতিত পৰিবহনৰ ব্যয় আদায় দিয়া ;

(গ) সম্পাদনাত কাৰ্য্যদক্ষতাৰ সৃষ্টিকৰা নীতি ;

(ঘ) জড়িত থকা আন্তঃগাঁঠনি অৰ্থাৎ সাধাৰণ বাহক বা চুক্তি বাহকৰ সৈতে জড়িত সম্পীড়িত, পাম্প, ইউনিট জোখা মিটাৰ, মজুতকৰণ আৰু সদৃশ বস্তু ;

(ঙ) সেৱাৰ ব্যয়, প্ৰবিৱৰণৰ আভ্যন্তৰীণ হাৰ, মুঠ বৰ্ত্তমান মূল্য বা পৰিবহনৰ বিকল্প পদ্ধতিৰ ওপৰত আধাৰিত গননা কৰা এটা নিৰ্দ্দেশ শুল্কৰ তল চিহ্ন ;

(চ) সাধাৰণ বাহক, চুক্তিবাহক আৰু মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কলৈ প্ৰযোজ্য কেন্দ্ৰীয় চৰকাৰৰ নীতি।

*প্ৰাধিকৰণৰ নিলম্বন বা ৰদ্‌কৰণ।*

২৩। যদিহে, বোৰ্ডে, এটা প্ৰভাৱিত পক্ষৰ এখন আবেদনৰ ওপৰত বা ইয়াৰ স্বপ্ৰেৰণত, সন্তুষ্ট হয় যে অস্তিত্ব, যাৰ সপক্ষে প্ৰাধিকৰণ, ধাৰা ১৯ ৰ অধীনত মঞ্জুৰকৃত হৈছে, প্ৰাধিকৰণৰ কোনো চৰ্ত্তাৱলী পালন কৰিবলৈ অসফল হয়, তেন্তে ই অস্তিত্বক শুনানীৰ এটা সুযোগ দিয়াৰ পিচত, বোৰ্ডে উচিত ভৱাদৰে হয় এনে কালৰ বাবে প্ৰাধিকৰণ নিলম্বন কৰিব পাৰে বা প্ৰাধিকৰণ ৰদ্ কৰিব পাৰে ঃ

পৰন্তু এটা প্ৰাধিকৃত অস্তিত্বই উপৰোক্তৰ স্বাৰ্থৰ প্ৰতিকূল হোৱা এটা ৰীতিত অবিৰত ভাৱে কাৰ্য্য কৰা বুলি যদিহে অস্তিত্বই বোৰ্ডে এটা মত পোষণ কৰে ই পৰৱৰ্ত্তীভাবে শুনানীৰ সুযোগ দিয়াৰ সাপেক্ষে ই, শীঘ্ৰে প্ৰাধিকৰণৰ নিলম্বণৰ বাবে কাৰ্য্যব্যৱস্থা লব পাৰে, যাৰ পিচত এনেদৰে লোৱা কাৰ্য্যব্যৱস্থা দৃঢ় বা প্ৰত্যাহাৰ কৰিব পাৰে।

## অধ্যায় - ৫

## বিবাদৰ নিষ্পত্তি

*বোৰ্ডে বিবাদৰ নিষ্পত্তি কৰিব।*

২৪। (১) অস্তিত্বসমূহৰ মাজত বা এটা অস্তিত্ব বা যথাস্থিতি কোনো আন ব্যক্তিৰ মাজত চুক্তিত মধ্যস্থতাৰ বাবে অন্যথা উপবন্ধিত ব্যতিৰেকে অস্তিত্ব সমূহৰ মাজত বা এটা অস্তিত্ব আৰু কোনো আন ব্যক্তিৰ মাজত উপধাৰা (২) ত নিৰ্দ্দেশিত বিষয়ৰ সম্বন্ধত, যদি কোনো বিবাদৰ উদ্ভৱ হয়, এনে বিবাদক, সদস্য (ন্যায়িক) আৰু অধ্যক্ষৰ দ্বাৰা মনোনীত এক বা ততোধিক সদস্যৰে গঠিত এখন ন্যায়পীঠৰ দ্বাৰা বিনিশ্চিত কৰা হ'ব ঃ

পৰন্তু যদি ন্যায়পীঠৰ সদস্যসমূহৰ কোনো বিষয় বা বিষয়সমূহত মতানৈক্য হয়, তেওঁলোকৰ মতানৈক্যৰ বিষয় বা বিষয়সমূহৰ বৰ্ণনা দিব আৰু এনে বিষয় বা বিষয়সমূহৰ শুনানীৰ বাবে ন্যায়পীঠৰ এজন সদস্য ব্যতিৰেকে এজন সদস্যলৈ সেইবোৰক প্ৰেৰণ কৰিব আৰু এনে বিষয় বা বিষয়সমূহক সেই সদস্যৰ মত অনুসাৰে বিনিশ্চিয় কৰা হ'ব।

(২) উপধাৰা (১)ৰ অধীনত গঠিত ন্যায়পীঠে, নিয়ত দিনত আৰু নিয়ত দিনৰ পৰা নিম্নলিখিত সমূহৰ সম্পৰ্কিত কোনো বিষয়ত এখন চিভিল ন্যায়ৰ দ্বাৰা কাৰ্য্যকৰী কৰাদৰে এনে সকলো অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰী কাৰ্য্যকৰী কৰিব -

(ক) অস্তিত্বসমূহৰ দ্বাৰা পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ শোধন, সংসাধন, মজুতকৰণ, পৰিবহন আৰু বিতৰণ কৰা ;

(খ) সেৱাৰ গুণগত বৈশিষ্ট্য আৰু অস্তিত্বৰ দ্বাৰা উপভোক্তালৈ যোগানৰ সুৰক্ষাক অন্তৰ্ভূক্ত কৰি পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ বিপনন আৰু বিক্ৰী কৰা ; আৰু

(গ) ধাৰা ১৫ৰ বা ধাৰা ১৯ৰ অধীনত বোৰ্ডৰ দ্বাৰা জাৰী কৰা পঞ্জীয়ন বা প্ৰাধিকৰণ।

*১৯০৮ ৰ ৫*

(৩) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ত কোনো কথা থকা সত্বেও, বোৰ্ডৰ, নিয়ত বা তাৰ পিচত উপধাৰা (২)ত নিৰ্দ্দেশিত বিষয়সমূহক বিনিশ্চয় কৰাৰ ক্ষমতা থাকিব।

*অভিযোগৰ দাখিলকৰণ।*

২৫। (১) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ পৰা উদ্ভৱ হোৱা কোনো বিষয়ত অস্তিত্বৰ সম্পৰ্কিত বা অস্তিত্বসমূহৰ মাজত বিষয়সমূহৰ সম্বন্ধত কোনো ব্যক্তিৰ দ্বাৰা এটা অভিযোগ বোৰ্ডত দাখিল কৰিব পাৰে ঃ

*১৯৮৬ ৰ ৬৮*

পৰন্তু উপভোক্তা সুৰক্ষা অধিনিয়ম, ১৯৮৬ৰ অধীনত এটা উপভোক্তা বিবাদ প্ৰতিকাৰ থূলত গ্ৰহণীয় ব্যক্তিগত উপভোক্তাৰ অভিযোগ বোৰ্ডৰ দ্বাৰা লোৱা নহ'ব কিন্তু এনে থূলৰ দ্বাৰা শুনিব আৰু নিস্পত্তি কৰিব।

*১৯৮৬ ৰ ৬৮*

স্পষ্টীকৰণ - এই উপধাৰাৰ প্ৰয়োজনাৰ্থে, "উপভোক্তা বিবাদ প্ৰতিকাৰ থূল" পদে উপভোক্তা সুৰক্ষা অধিনিয়ম, ১৯৮৬ৰ উপাবন্ধাৱলীৰ অধীনত গঠিত জিলা ফ'ৰাম ৰাজ্যিক আয়োগ বা, যথাস্থিতি ৰাষ্ট্ৰীয় আয়োগ।

(২) উপধাৰা (১)ৰ অধীনত কৰা প্ৰত্যেক অভিযোগ, এনে তাৰিখৰ পৰা ষাঠিদিনৰ ভিতৰত দাখিল কৰা হ'ব যি তাৰিখত এনে কাৰ্য্য বা আচৰণে এনে উলংঘন সংঘটিত কৰিছিল আৰু বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰাদৰে এনে প্ৰপত্ৰত কৰিব আৰু এনে মাচুল সহ দিয়া হ'ব ঃ

পৰন্তু বোৰ্ডে, উক্ত কালৰ অৱসানৰ পিচত এটা অভিযোগ গ্ৰহণ কৰিব পাৰে, যদি ই সন্তুষ্ট হয় যে সেই কালৰ ভিতৰত অভিযোগ দাখিল নকৰাৰ পৰ্য্যাপ্ত কাৰণ আছিল।

(৩) উপধাৰা (১)ৰ অধীনত এটা অভিযোগৰ গ্ৰহণত, বোৰ্ডে, অস্তিত্ব বা অস্তিত্বসমূহৰ বিষয়ৰ বিৰুদ্ধে এটা প্ৰথম দৃষ্টি গোচৰ হওঁক বা নহওঁক ত্ৰিশদিনৰ ভিতৰত বিনিশ্চিত কৰিব আৰু তেওঁ নিজাকৈ তদন্ত চলাব পাৰে বা এই অধ্যায়ৰ অধীনত অনুসন্ধানৰ বাবে বিষয়টো অধিকাৰিতা থকা অনুসন্ধানকাৰী পদাধিকাৰীলৈ, প্ৰেৰণ কৰিব পাৰে আৰু য'ত বিষয়টো এনে অনুসন্ধানকাৰী পদাধিকাৰীলৈ প্ৰেৰণ কৰা হয়, এনে অনুসন্ধানকাৰী পদাধিকাৰীৰ পৰা পোৱা এখন প্ৰতিবেদনৰ ওপৰত, বোৰ্ডে, এটা বিবাদৰূপে অভিযোগৰ শুনানী লব আৰু নিস্পত্তি কৰিব যদি ই ধাৰা ২৭ৰ উপধাৰা (২)ৰ অধীনত পৰে আৰু আন কোনো ক্ষেত্ৰত, ই উচিত গণ্য কৰা দৰে এনে আদেশ পাৰিত আৰু এনে নিৰ্দ্দেশনা জাৰী কৰিব পাৰে।

(৪) য'ত কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ উপৰন্ধাৱলীৰ পৰা উদ্ভৱ হোৱা এটা বিষয় অনুসন্ধান কৰিবলৈ অপেক্ষিত হয় বুলি বিবেচনা কৰে, ই, বোৰ্ডলৈ এটা প্ৰসঙ্গনিৰ্দ্দেশ দিব আৰু এই অধিনিয়মৰ উপৰন্ধাৱলী প্ৰযোজ্য হ'ব যেনিবা এনে প্ৰসঙ্গতনিৰ্দ্দেশ বোৰ্ডলৈ কৰা এটা অভিযোগহে আছিল।

*অনুসন্ধান কৰাৰ ক্ষমতা।*

*১৯৪৬ ৰ ২৫*

২৬। (১) ধাৰা ২৫ ৰ উপৰন্ধাৱলীৰ প্ৰয়োজনাৰ্থে বোৰ্ডে, উপধাৰা (৩)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত ৰীতিত এটা অনুসন্ধান কৰাৰ বাবে এজন অনুসন্ধানকাৰী পদাধিকাৰীৰূপে বোৰ্ডৰ এজন পদাধিকাৰীক নিযুক্তি দিব ঃ

পৰন্তু য'ত বোৰ্ডে বিষয়টো, দিল্লী বিশেষ আৰক্ষী প্ৰতিষ্ঠান অধিনিয়ম, ১৯৪৬ ৰ ধাৰা ২ৰ অধীনত গঠিত বিশেষ আৰক্ষী বাহিনী অন্তৰ্ভূক্ত কৰি ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ কোনো অনুসন্ধানকাৰী এজেন্সিৰ দ্বাৰা অনুসন্ধান কৰাটো আৱশ্যকীয় বুলি বিবেচনা কৰে, তাত বোৰ্ডে অনুসন্ধান কৰিবলৈ এনে এজেন্সিৰ নিৰ্দ্দেশনা বা প্ৰাধিকৃত কৰাৰ বাবে সংশ্লিষ্ট চৰকাৰক অনুৰোধ কৰিব পাৰে আৰু এনেদৰে নিৰ্দ্দেশিত বা প্ৰাধিকৃত এজেন্সি, তেতিয়া, এই অধিনিয়মৰ অধীনত কোনো অনুসন্ধানকাৰী পদাধিকাৰীৰ ক্ষমতা কাৰ্য্যকৰী কৰিবলৈ আৰু কৰ্ত্তব্যৰ নিৰ্ব্বহন কৰিবলৈ সক্ষম হ'ব।

(২) কোনো ব্যক্তিক এজন অনুসন্ধানকাৰী পদাধিকাৰীৰূপে নিয়োজিত কৰা নহ'ব যিপৰ্য্যন্ত তেওঁ, বোৰ্ডে বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰাদৰে এনে অৰ্হতা আৰু অভিজ্ঞতা অৰ্জন নকৰে।

(৩) য'ত এজনতকৈ অধিক অনুসন্ধাকাৰী পদাধিকাৰী নিয়োজিত হয়, বোৰ্ডে আদেশৰ দ্বাৰা বিষয়টো আৰু প্ৰত্যেক এনে পদাধিকাৰীয়ে তেওঁৰ অধিকাৰিতা কাৰ্য্যকৰী কৰা স্থানীয় পৰিসীমা বিনিৰ্দ্দিষ্ট কৰিব।

*বোৰ্ডৰ দ্বাৰা হিচাপ লবলগীয়া উপাদান।*

২৭। বোৰ্ডে, এই অধ্যায়ৰ অধীনত এটা বিবাদ বিনিশ্চয় কৰা সময়ত, এই অধিনিয়মৰ উপাৱন্ধাৱলী আৰু নিম্নলিখিত উপাদনক সম্যক অৱধানত ৰাখিব, অৰ্থাৎ ঃ-

(ক) ত্ৰুটীৰ ফলস্বৰূপে দিয়া অসমানুপাতিক লাভৰ পৰিমাণ বা প্ৰাপ্ত কৰা অনুচিত সুবিধা যতেই পৰিসংখ্যানীয় হয় ;

(খ) ত্ৰুটীৰ ফলস্বৰূপে এটা অস্তিত্বলৈ কাৰিত লোকচানৰ পৰিমাণ ;

(গ) ত্ৰুটীৰ পুনৰাবৃত্তিৰ প্ৰকাৰ।

*বোৰ্ডৰ দ্বাৰা দিয়া নিৰ্দ্দেশৰ উলঙ্ঘণৰ বাবে চিভিল জৰিমণা।*

২৮। যদিহে কোনো অভিযোগ, কোনো ব্যক্তিৰ দ্বাৰা বোৰ্ডত দাখিল কৰা হয় বা এটা সাধাৰণ বাহকৰ সম্বন্ধত পৰিবহন হাৰ সুলভ্য কৰিবলৈ বা আনুগত্য ৰাখিবলৈ বা খুচুৰা বজাৰত অধিকতম খুচুৰামূল্য প্ৰদৰ্শন কৰিবলৈ বা ধাৰা ১৫ বা ধাৰা ১৯ৰ অধীনত পঞ্জীয়ন আৰু প্ৰাধিকৃতকৰণৰ মঞ্জুৰীৰ নিবন্ধন আৰু চৰ্ত্তাৱলী বা খুচুৰা সেৱা বাধ্যবাধকতা বা বিপনন সেৱা বাধ্যবাধকতা ভঙ্গ কৰে বা বোৰ্ডৰ দ্বাৰা অপেক্ষিত দস্তাৱেজ, প্ৰতিবেদনৰ প্ৰবিৱৰণ প্ৰদান কৰা নাই বুলি যদিহে বোৰ্ড সন্তুষ্ট হয় তেন্তে ই এনে ব্যক্তিক বিষয়টোৰ শুনানীৰ সুযোগ দিয়াৰ পিছত, লিখিতভাৱে আদেশ দি, তেওঁ এই অধিনিয়মৰ অধীনত দায়ী

হোৱা কোনো আন জৰিমণাৰ প্ৰতিকূল নোহোৱাকৈ, এনে ব্যক্তিয়ে প্ৰত্যেক উলঙ্ঘনৰ বাবে এক কোটি টকাৰ অনধিক এটা ধনৰাশি জৰিমণা দিব আৰু এনে প্ৰথম নিৰ্দ্দেশনাৰ উলঙ্ঘনৰ পিচত অসফলতা চলি থকাৰ সময়ত প্ৰত্যেক দিনৰ বাবে দহ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা অতিৰিক্ত জৰিমনা, চিভিল জৰিমনাৰ জৰিয়তে আদায় দিব বুলি, নিৰ্দ্দেশ দিব।

পৰন্তু নিবৰ্দ্ধিত বেপাৰ ব্যৱসায়ত থকা এটা অভিযোগৰ ক্ষেত্ৰত চিভিল জৰিমণাৰ পৰিমাণ, অস্তিত্বৰ দ্বাৰা পোৱা অনুচিত লাভৰ পাচ গুণলৈ বিস্তৃত হ'ব পাৰে বা দহ কোটি টকা, যিটোৱেই অধিক হয়।

*বোৰ্ডৰ দ্বাৰা পাৰিত আদেশক ডিক্ৰী বুলি গণ্য কৰা হ'ব।*

২৯। এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা দিয়া প্ৰত্যেক আদেশ, বোৰ্ডৰ এজন পদাধিকাৰীৰ দ্বাৰা জাৰী কৰা এখন প্ৰমাণপত্ৰৰ ওপৰত সদৃশ ৰীতিত নিস্পাদনযোগ্য হ'ব যেনিবা ই এখন চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰী আছিল ঃ

পৰন্তু য'ত বোৰ্ডৰ এটা আদেশৰ বিৰুদ্ধে এটা আপীল কৰা হয় আৰু কোনো আপীল গ্ৰহণ কৰা নহয়, তেতিয়া বোৰ্ডৰ আদেশক, আপীল ন্যায়াধিকৰণত এনে আদেশৰ বিৰুদ্ধে এটা আপীল গ্ৰহণৰ বাবে অনুমতিপ্ৰাপ্ত কালৰ অৱসানত এই ধাৰাৰ অধীনত এটা চূড়ান্ত ডিক্ৰী বুলি গণ্য কৰা হ'ব।

## অধ্যায় - ৬

## আপীল ন্যায়াধিকৰণত কৰা আপীল

*আপীল ন্যায়াধিকৰণ।*

*২০০৩ ৰ ৩৬*

৩০। (১) এই অধিনিয়মৰ উপাবন্ধাৱলীৰ সাপেক্ষে, বিদ্যুৎ অধিনিয়ম, ২০০৩ৰ ধাৰা ১১০ৰ অধীনত স্থাপিত আপীল ন্যায়াধিকৰণ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে আপীল ন্যায়াধিকৰণ হ'ব আৰু উক্ত আপীল ন্যায়াধিকৰণে, এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়ালৈ অৰ্পিত অধিকাৰিতা, ক্ষমতা আৰু প্ৰাধিকাৰী কাৰ্য্যকৰী কৰিবঃ

পৰন্তু এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে আপীল ন্যায়াধিকৰণৰ কাৰিকৰী সদস্যজন, কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) বুলি অভিহিত হ'ব আৰু ধাৰা ৩১ৰ উপধাৰা (২)ত বিনিৰ্দ্দিষ্ট অৰ্হতা সমূহ থাকিব।

(২) বিদ্যুৎ অধিনিয়ম, ২০০৩ ত কোনো কথা থকা সত্বেও, কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, বিদ্যুতৰ বাবে, আপীল ন্যায়াধিকৰণত এক বা ততোধিক কাৰিকৰী সদস্যক (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) নিযুক্তি দিয়ে বা ধাৰা ৩১ ৰ উপধাৰা (২)ত বিনিৰ্দ্দিষ্ট অৰ্হতা থকা উক্ত ন্যায়াধিকৰণৰ এজন কাৰিকৰী সদস্যক পদাভিহিত কৰিব পাৰে আৰু যেতিয়া এজন কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) নিয়োজিত হয়, তেওঁ, উক্ত অধিনিয়মৰ অধীনত নিয়োজিত আন তিনিজন সদস্যৰ অতিৰিক্তত হ'ব।

*কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ)*

৩১। (১) কাৰিকৰী সদস্যক (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) ধাৰা ৪ৰ উপধাৰা (২)ৰ অধীনত গঠিত অন্বেষণ কমিটিৰ দ্বাৰা প্ৰস্তুতকৰা তালিকাৰ পৰা নিয়োজিত কৰা হ'ব।

(২) এজন ব্যক্তি আপীল ন্যায়াধিকৰণৰ এজন কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) ৰূপে নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন নহ'ব যি পৰ্য্যাপ্ত তেওঁ –

(I) শক্তিখণ্ড, বিশেষকৈ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ খণ্ডৰ সম্পৰ্কিত বিষয়ত পৰ্য্যাপ্ত অভিজ্ঞতা থকা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগত কমেও এক বছৰৰ বাবে এজন সচিব নহয় বা হোৱা নাই; বা

(II) সন্ধান, উৎপাদন, প্ৰেৰণ, পাইপলাইন, পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বিপনন বা বিনিয়ম, অৰ্থনৈতিক, বানিজ্যিক, বিধি বা ব্যৱস্থাপনাৰ সম্পৰ্কিত বিষয়ৰ সংব্যৱহাৰত পৰ্য্যাপ্ত, জ্ঞান বা অভিজ্ঞতা থকা সামৰ্থ্যবান আৰু প্ৰতিষ্ঠিত ব্যক্তি নহয় বা হোৱা নাই।

*কাৰিকৰী সদস্য (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ)ৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী।*

৩২। কাৰিকৰী সদস্যৰ (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) পদাৱধি, দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী, আপীল ন্যায়াধিকৰণৰ আন সদস্যলৈ প্ৰযোজ্য হোৱা দৰে একে হ'ব।

*আপীল ন্যায়াধিকৰণলৈ কৰা আপীল।*

৩৩। (১) এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা দিয়া কোনো আদেশ বা বিনিশ্চয়ৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে আপীল ন্যায়াধিকৰণলৈ এটা আপীল কৰিব পাৰে :

পৰন্তু কোনো জৰিমণা আৰোপ কৰা বোৰ্ডৰ এটা আদেশ বা বিনিশ্চয়ৰ বিৰুদ্ধে এটা আপীল কৰা কোনো ব্যক্তিয়ে আপীল দাখিল কৰা সময়ত এনে জৰিমণাৰ পৰিমাণ জমা কৰিব :

অধিকন্তু য'ত কোনো বিশেষ গোচৰত, এনে জৰিমণাৰ জমাকৰণে এনে ব্যক্তিক অযথা কষ্ট দিব বুলি আপীল ন্যায়াধিকৰণে মত পোষণ কৰে, তাত ই জৰিমনাৰ উচুলক সুৰক্ষা দিয়াৰ বাবে ই আৰোপিত কৰিবলৈ ই উচিত গণ্য কৰা দৰে এনে চৰ্ত্তাৱলীৰ সাপেক্ষে, এনে জমাক অব্যাহতি দিব পাৰে।

(২) উপধাৰা (১)ৰ অধীনত, বোৰ্ডৰ দ্বাৰা বিনিশ্চয়ৰ নিৰ্দ্দেশনা বা আদেশৰ এটা প্ৰতিলিপি দিয়া তাৰিখৰ পৰা ত্ৰিশদিনৰ এটা কালৰ ভিতৰত দাখিল কৰা প্ৰত্যেক আপীল ক্ষোভিত ব্যক্তিয়ে প্ৰাপ্ত কৰিব আৰু বিহিত কৰাদৰে এনে প্ৰপত্ৰত, দিয়া হ'ব, এনে ৰীতিত সত্যাপিত কৰা হ'ব আৰু এনে মাচুলসহ গাঠি দিয়া হ'ব ঃ

পৰন্তু আপীল ন্যায়াধিকৰণে, ত্ৰিশদিনৰ উক্ত অৱধিৰ অৱসানৰ পিচত এটা আপীল গ্ৰহণ কৰিব পাৰে যদিহে ই সন্তুষ্ট হয় যে সেই অৱধিৰ ভিতৰত ইয়াক দাখিল নকৰাৰ পৰ্য্যাপ্ত কাৰণ আছিল।

(৩) উপধাৰা (১)ৰ অধীনত এটা আপীলৰ প্ৰাপ্তিত, আপীল ন্যায়াধিকৰণে, পক্ষসমূহক শুনানীৰ এটা সুযোগ দিয়াৰ পিচত, ই উচিত বুলি ভবাদৰে ইয়াৰ ওপৰত এনে আদেশ পাৰিত কৰিব পাৰে।

(৪) আপীল ন্যায়াধিকৰণে, আপীলৰ পক্ষসমূহলৈ আৰু বোৰ্ডলৈ ইয়াৰ দ্বাৰা দিয়া প্ৰত্যেক আদেশৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব।

(৫) উপধাৰা (১)ৰ অধীনত দাখিল কৰা আপীল যথাসম্ভৱ শীঘ্ৰেতাৰে আপীল ন্যায়াধিকৰণৰ দ্বাৰা সংব্যৱহৃত কৰা হ'ব আৰু আপীলৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা নৱৈ দিনৰ ভিতৰত

চূড়ান্তভাৱে আপীল নিস্পত্তি কৰিবলৈ ইয়াৰ দ্বাৰা প্ৰয়াস কৰা হ'ব :

পৰন্তু য'ত, কোনো এনে আপীল নৱৈ দিনৰ উক্ত অৱধিৰ ভিতৰত নিস্পত্তি কৰা নহয়, আপীল ন্যায়াধিকৰণে উক্ত অৱধিৰ ভিতৰত আপীল নিস্পত্তি নোহোৱাৰ বাবে লিখিতভাৱে ইয়াৰ কাৰণ অভিলেখিত কৰিব।

(৬) আপীল ন্যায়াধিকৰণে, উপধাৰা (১)ৰ অধীনত দাখিল কৰা কোনো আপীললৈ নিৰ্দ্দেশিত কৰা বোৰ্ডৰ কোনো আদেশ বা বিনিশ্চয়ৰ ন্যায্যতা বা ওচিত্য বা শুদ্ধতাৰ পৰীক্ষণৰ প্ৰয়োজনাৰ্থে, ইয়াৰ স্বপ্ৰেৰণাত বা অন্যথায়, এনে আপীলৰ নিস্পত্তিৰ সুসঙ্গত অভিলেখ বিচাৰিব পাৰে আৰু ই উচিত বুলি ভবাদৰে এনে আদেশ দিব পাৰে।

*আপীল ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা।*

*২০০৩ ৰ ৩৬*

৩৪। বিদ্যুৎ অধিনিয়ম, ২০০৩ৰ ধাৰা ১২০ৰ পৰা ১২৪ লৈ (উভয় অন্তৰ্ভূক্ত কৰি) ৰ উপবন্ধাৱলী, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনত আপীল ন্যায়াধিকৰণলৈ যথাৱশ্যক পৰিবৰ্ত্তন সহ প্ৰযোজ্য হ'ব যিদৰে সেইবোৰ বিদ্যুৎ অধিনিয়ম, ২০০৩ৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্ব্বহনত ইয়ালৈ প্ৰযোজ্য হয়।

*আপীল ন্যায়াধিকৰণৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৩৫। আপীল ন্যায়াধিকৰণে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ অধীনত ইয়াত কৰা সকলো কাৰ্য্যবাহীৰ সম্বন্ধত পৰিচালনা আৰু প্ৰক্ৰিয়াৰ বিষয়ে এই অধিনিয়মৰ উপবন্ধাৱলীৰ সঙ্গত নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

*আপীল ন্যায়াধিকৰণৰ দ্বাৰা পাৰিত আদেশবোৰ এটা ডিক্ৰীৰূপে নিস্পাদন যোগ্য হ'ব।*

৩৬। (১) এই অধিনিয়মৰ অধীনত আপীল ন্যায়াধিকৰণৰ দ্বাৰা দিয়া প্ৰত্যেক আদেশ, এখন চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰীৰূপে আপীল ন্যায়াধিকৰণৰ দ্বাৰা নিষ্পাদনযোগ্য হ'ব আৰু এই প্ৰয়োজনাৰ্থে, আপীল ন্যায়াধিকৰণৰ, এখন চিভিল ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, আপীল ন্যায়াধিকৰণে অধিকাৰিতা থকা এখন চিভিল ন্যায়ালয়লৈ ইয়াৰ দ্বাৰা দিয়া কোনো আদেশ প্ৰেৰণ কৰিব পাৰে আৰু এনে চিভিল ন্যায়ালয়ে, আদেশ নিস্পাদন কৰিব যেনিবা ই, সেই ন্যায়ালয়ৰ দ্বাৰা দিয়া এটা ডিক্ৰীহে আছিল।

*উচ্চতম ন্যায়ালয়লৈ কৰা আপীল।*

*১৯০৮ ৰ ৫*

৩৭। (১) চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা আন কোনো বিধিত, কোনো কথা থকা সত্বেও, সেই সংহিতাৰ ধাৰা ১০০ ত বিনিৰ্দ্দিষ্ট এক বা ততোধিক কাৰণৰ ওপৰত উচ্চতম ন্যায়ালয়লৈ, আপীল ন্যায়াধিকৰণৰ এটা অনুৱৰ্ত্তী আদেশ নোহোৱা, কোনো আদেশৰ বিৰুদ্ধে এটা আপীল চলিব।

(২) পক্ষসমূহৰ সন্মতিসহ, আপীল ন্যায়াধিকৰণৰ দ্বাৰা দিয়া কোনো বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে কোনো আপীল নচলিব।

(৩) এই ধাৰাৰ অধীনত প্ৰত্যেক আপীল, বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে আপীল কৰা তাৰিখৰ পৰা নৱৈ দিনৰ এটা কালৰ ভিতৰত কৰা হ'ব:

পৰন্তু উচ্চতম ন্যায়ালয়ে, নব্বৈ দিনৰ উক্ত অৱধিৰ অৱসানৰ পিচত আপীল গ্ৰহণ কৰিব পাৰে, যদি তেওঁ সন্তুষ্ট হয় যে, আবেদনকাৰীয়ে সময়মতে আপীল কৰাত পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল।

## অধ্যায় - ৭

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

*কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান।*

৩৮। (১) কেন্দ্ৰীয় চৰকাৰে, বিধিৰ দ্বাৰা এই মৰ্ম্মে সংসদৰ দ্বাৰা কৰা সম্যক বিনিয়োজনৰ পিচত, বোৰ্ডৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দক দিবলগীয়া বেতন, ভাত্তা আৰু পেঞ্চনক অন্তৰ্ভূক্ত কৰি অধ্যক্ষ আৰু আন সদস্যসকলক দিবলগীয়া বেতন আৰু ভাত্তা আৰু প্ৰশাসনিক ব্যয় আদায় দিবলৈ অপেক্ষিত হোৱা এনে পৰিমানৰ ধনৰাশি, বোৰ্ডক অনুদান দিব পাৰে।

*নিধি।*

৩৯। (১) পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড নিধি নামেৰে এটা নিধি গঠন কৰা হ'ব আৰু নিম্নলিখিত সমূহক তাত জমা দিয়া হ'ব -

(I) এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰাপ্ত সকলো অনুদান, মাচুল, জৰিমণা আৰু প্ৰভাব; আৰু

(II) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত হোৱা এনে আন উৎসৰ পৰাবোৰ্ডৰ দ্বাৰা প্ৰাপ্ত সকলো ধনৰাশি।

(২) নিধি ঃ-

(I) বোৰ্ডৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দলৈ দিবলগীয়া বেতন, ভাত্তা আৰু পেঞ্চনক অন্তৰ্ভূক্ত কৰি অধ্যক্ষ আৰু আন সদস্যসকলক দিবলগীয়া বেতন আৰু ভাত্তা আৰু প্ৰশাসনিক ব্যয়ৰ হেতুকে ;

(II) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ কাৰ্য্যকৰীকৰণত উপগতৰ বা উপগত হ'বলগীয়া ব্যয়ৰ হেতুকে আদায় দিয়াৰ বাবে প্ৰযোজ্য হ'ব।

(৩) কেন্দ্ৰীয় চৰকাৰে -

(I) বেতন, ভাত্তা আৰু আন সকলো ব্যয়ৰ বাবে বোৰ্ডৰ বাজেট সম্পৰ্কীয় অপেক্ষাবোৰ সেই চৰকাৰলৈ চুপাৰিছ কৰিবলৈ ই উচিতভৱাদৰে এনে ব্যক্তিৰে গঠিত এখন কমিটি গঠন কৰিব; আৰু

(II) কমিটিৰ চুপাৰিছৰ আধাৰত বোৰ্ডৰ বাজেট সম্পৰ্কীয় চিলিং নিৰ্দ্ধাৰিণ কৰিব।

*হিচাপ আৰু হিচাপ পৰীক্ষা।*

৪০। (১) বোৰ্ডে সমুচিত হিচাপ আৰু আন সুসঙ্গ অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰপত্ৰত হিচাপৰ এটা বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব।

(২) বোৰ্ডৰ হিচাপ, তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে অৱসানত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হ'ব আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত

উপগত কোনো ব্যয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক লৈ বোৰ্ডৰ দ্বাৰা দেয় হ'ব।

স্পষ্টীকৰণ - সন্দেহ দূৰীকৰণৰ বাবে ইয়াক ইয়াৰ দ্বাৰা ঘোষণা কৰা হ'ল যে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যৰ নিৰ্ব্বহনত লোৱা বোৰ্ডৰ বিনিশ্চয়বোৰ আপীল ন্যায়াধিকৰণলৈ আপীলযোগ্য বিষয় হোৱাত, এই ধাৰাৰ অধীনত হিচাপ পৰীক্ষাৰ সাপেক্ষে নহ'ব।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক বা বোৰ্ডৰ হিচাপৰ হিচাপ পৰীক্ষকৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিয়োজিত কোনো আন ব্যক্তি, চৰকাৰী হিচাপৰ হিচাপ পৰীক্ষকৰ সম্পৰ্কত একেই অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব আৰু বিশেষতঃ বহী হিচাপ সম্পৰ্কিত ভাউচাৰ আৰু আন দস্তাবেজ আৰু কাগজপত্ৰৰ উপস্থাপন দাবীৰ আৰু বোৰ্ডৰ কাৰ্য্যালয়সমূহৰ পৰিদৰ্শনৰ অধিকাৰ থাকিব।

(৪) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক বা এই মৰ্ম্মে তেওঁৰ দ্বাৰা নিয়োজিত কোনো আন ব্যক্তিৰ দ্বাৰা অধিপ্ৰমাণিত কৰা বোৰ্ডৰ হিচাপসমূহক, ইয়াৰ ওপৰত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনসহ একেলগে কেন্দ্ৰীয় চৰকাৰলৈ বাৰ্ষিকভাৱে প্ৰেৰণ কৰা হব আৰু সেইবোৰক কেন্দ্ৰীয় চৰকাৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰিবলৈ কাৰিত কৰিব।

*বাৰ্ষিক প্ৰতিবেদন আৰু সংসদত ইয়াৰ উত্থাপন।*

৪১। (১) বোৰ্ডে পূৰ্ব্ববৰ্ষত কাৰ্য্যবাহী আৰু নীতি সম্পৰ্কিত তথ্যক অন্তৰ্ভূক্ত কৰি ইয়াৰ কাৰ্য্যকলাপৰ এটা সংক্ষিপ্ত বিৱৰণী দি এটা বাৰ্ষিক প্ৰতিবেদন, বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে সময়ত প্ৰত্যেক বছৰত এবাৰকৈ প্ৰস্তুত কৰিব আৰু এনে প্ৰতিবেদনত, বোৰ্ডৰ বাৰ্ষিক হিচাপৰ বিৱৰণীসমূহো সন্নিবিষ্ট হ'ব।

(২) প্ৰতিবেদনৰ এটা প্ৰতিলিপি, কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব আৰু কেন্দ্ৰীয় চৰকাৰে এনে প্ৰতিবেদন, ইয়াক প্ৰাপ্ত কৰাৰ পিচত, যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

## অধ্যায় - ৮

## কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা

*কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশনা জাৰি কৰাৰ ক্ষমতা।*

৪২। (১) কেন্দ্ৰীয় চৰকাৰে, ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা, ৰাজ্যৰ সুৰক্ষা, বিদেশী ৰাজ্যৰ সৈতে মৈত্ৰীপূৰ্ণ সম্বন্ধ বা লোক ব্যৱস্থাৰ স্বাৰ্থত, ই আৱশ্যক বুলি ভবাদৰে সময়ে সময়ে, লিখিতভাৱে, এনে নিৰ্দ্দেশনা বোৰ্ডলৈ জাৰী কৰিব পাৰে।

(২) পূৰ্বগামী উপবন্ধৰ প্ৰতিকূল নোহোৱাকৈ, কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা স্বাৰ্থত এনে কৰাটো যদিহে আৱশ্যকীয় বা সমীচীন বুলি ভাৱে বা পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছ বা সেইবোৰৰ সকলো বা যিকোনোটোৰ যোগান সংৰক্ষণ বা বৃদ্ধিৰ বাবে বা তেওঁলোকৰ সমতাপূৰ্ণ বিতৰণ নিশ্চিত কৰাৰ বাবে আৰু পৰ্য্যাপ্ত সহজলভ্যতা সুনিশ্চিত কৰাৰ বাবে বোৰ্ডলৈ লিখিতভাৱে নিৰ্দ্দেশনাৰ নীতি জাৰী কৰিব পাৰে আৰু এনে নিৰ্দ্দেশনাৰ নীতি বোৰ্ডৰ বাধ্যতাত থাকিব :

পৰন্তু এনে কোনো নিৰ্দ্দেশনা, বোৰ্ডৰ কোনো দৈনিক কাৰ্য্যকলাপলৈ সমন্ধিত নহব :

উপৰন্তু বোৰ্ডক, য'ত প্ৰয়োগসাধ্য হয়, এই ধাৰাৰ অধীনত কোনো নিৰ্দ্দেশনা জাৰি কৰাৰ পূৰ্বে ইয়াক মতামত প্ৰকাশৰ এটা সুযোগ দিয়া হ'ব।

(৩) প্ৰশ্নটো, নীতিৰ এটা হওঁক বা নহওঁক কেন্দ্ৰীয় চৰকাৰৰ বিনিশ্চয়, চূড়ান্ত হ'ব।

*জনস্বাৰ্থত কোনো অস্তিত্ব পৰিসৰ আৰু খুচুৰা বজাৰৰ সা-সুবিধা আৰু ব্যৱসায়ী পৰিসৰৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা গ্ৰহণ কৰা।*

৪৩। (১) পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ যোগানৰ ব্যাহত কৰাৰ সূত্ৰপাত ঘটোৱা যুদ্ধ বা প্ৰাকৃতিক দুৰ্যোগ বা এনে আন সদৃশ পৰিস্থিতিৰ সংঘটনত কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ নিৰন্তৰ যোগানৰ নিশ্চিতকৰণৰ বাবে কোনো অস্তিত্ব বা খুচুৰা বজাৰৰ মজুতকৰণৰ স্থান, সুবিধা আৰু ব্যৱসায় পৰিসৰৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপন গ্ৰহণ কৰিব বা ইয়াৰ প্ৰৱৰ্ত্তনৰ নিলম্বন কৰিব আৰু এনে সময়ৰ বাবে, কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কোনো এজেন্সিলৈ অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সময়ৰ বাবে আৰোপিত কৰিব পাৰে আৰু এনে ৰীতিত পৰিচালনা কৰিব পাৰে:

পৰন্তু ক্ষতিগ্ৰস্থ অস্তিত্বসমূহক, খুচুৰা বজাৰ আৰু আন ব্যৱসায় পৰিসৰৰ ওপৰত নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰাৰ আদেশ জাৰী কৰাৰ পূৰ্বে শুনানী হোৱাৰ এটা সুযোগ দিয়া হ'ব :

উপৰন্তু কোনো জৰুৰী অৱস্থাৰ ক্ষেত্ৰত বা গোচৰসমূহত য'ত পৰিস্থিতিসমূহে পৰ্য্যাপ্ত সময়ৰ অভাৱৰ বাবে সূচনা জাৰীৰ অনুমতি নিদিয়ে বা অন্যথা অস্তিত্ব ওপৰত যাৰ বিৰুদ্ধে আদেশৰ নিৰ্দ্দেশনা দিয়া হৈছিল, এটা বিনিৰ্দ্দিষ্ট অৱধিৰ বাবে পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ অবিৰত যোগান চলাই থাকিবলৈ, লোক স্বাৰ্থত শুনানীৰ সুযোগৰ বন্টন কৰিব পাৰে।

(২) উপধাৰা (১)ৰ অধীনত জাৰী কৰা অধিসূচনাত নিৰ্দ্দেশিত সম্পত্তি থকা ৰাজহ জিলাৰ সমাহৰ্ত্তাই সম্পত্তিৰ হস্তগত কৰাৰ বাবে দিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰিব।

(৩) এই ধাৰাৰ অধীনত ক্ষতিপূৰণ দাবীৰ বাবে কৰা এখন আবেদনৰ প্ৰ-পত্ৰ আৰু ৰীতি, ক্ষতিপূৰণ নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া আৰু এনে ক্ষতিপূৰণৰ আদায়ৰ সময় বিহিত কৰা দৰে এন হ'ব।

## অধ্যায় - ৯

## অপৰাধ আৰু দণ্ড

*বোৰ্ডৰ নিৰ্দ্দেশনাৰ উলঙ্ঘণৰ বাবে দণ্ড।*

৪৪। যদি কোনো ব্যক্তিয়ে, বোৰ্ডৰ নিৰ্দ্দেশনা উলঙ্ঘন কৰে, এনে ব্যক্তি পাঁচিশ কোটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে আৰু অবিৰত উলঙ্ঘন ক্ষেত্ৰত, উলঙ্ঘন চলি থকা সময়ত প্ৰত্যেক দিনৰ বাবে দহ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

*আপীল ন্যায়াধিকৰণৰ আদেশ পালন কৰিবলৈ ইচ্ছাকৃতভাৱে অসফল কৰাৰ বাবে জৰিমণা।*

৪৫। যদি কোনো ব্যক্তিয়ে আপীল ন্যায়াধিকৰণৰ আদেশ পালন কৰিবলৈ ইচ্ছাকৃতভাৱে অসফল হয়, তেওঁ এক কোটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে আৰু দ্বিতীয় বা পৰৱৰ্ত্তী অপৰাধৰ ক্ষেত্ৰত দুই কোটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে আৰু অবিৰত উলঙ্ঘণৰ ক্ষেত্ৰত এনে ত্ৰুটি চলি থকা কালত প্ৰত্যেক দিনৰ বাবে বিশ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

## পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬

*অপ্ৰাধিকৃত কাৰ্য্যকলাপৰ বাবে দণ্ড।*

৪৬। এটা অস্তিত্ব হোৱা কোনো ব্যক্তিয়ে যদিহে এটা বৈধ পঞ্জীয়নকৰণ বা প্ৰাধিকৃতকৰণ বিনা কোনো অধিসূচিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ বিপনন কৰে, এনে ব্যক্তি, তিনিবছৰলৈ বিস্তৃত হ'ব পৰা কাৰাবাসেৰে বা পচিশ কোটি টকা লৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা উভয়েৰে আৰু অবিৰত উলঙ্ঘণৰ ক্ষেত্ৰত উলঙ্ঘণ চলি থকা কালত প্ৰত্যেক দিনৰ বাবে দহ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

*পঞ্জীয়ণকৰণ বিনা এটা তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেলৰ স্থাপন বা প্ৰবৰ্ত্তন কৰাৰ বাবে দণ্ড।*

৪৭। যদি কোনো ব্যক্তিয়ে ধাৰা ১৫ৰ অধীনত অপেক্ষিত দৰে পঞ্জীয়নকৰণ বিনা এটা তৰল প্ৰাকৃতিক গেছ টাৰ্মিনেল স্থাপন বা প্ৰবৰ্ত্তন কৰে, এনে ব্যক্তি তিনিবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসৰে বা পঁচিশ কোটি টকাৰ জৰিমনা বা উভয়েৰে আৰু অবিৰত উলঙ্ঘণৰ ক্ষেত্ৰত উলঙ্ঘণৰ চলি থকা কালত প্ৰত্যেক দিনৰ বাবে দহ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

*প্ৰাধিকৰণ বিনা সাধাৰণ বাহক বা চুক্তিবাহকৰ স্থাপন, নিৰ্ম্মাণ, প্ৰৱৰ্ত্তন বা বিস্তাৰৰ বাবে দণ্ড*

৪৮। যদি এজন ব্যক্তিয়ে ধাৰা ১৯ ৰ অধীনত অপেক্ষিত প্ৰাধিকৰণ প্ৰাপ্তি বিনা এটা সাধাৰণ বাহক বা চুক্তিবাহক বা এখন মহানগৰ বা আঞ্চলিক প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰে, এনে ব্যক্তি, তিনিবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা পঁচিশকোটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা উভয়েৰে আৰু অবিৰত উলঙ্ঘণৰ ক্ষেত্ৰত এনে উলঙ্ঘনৰ চলি থকা কালত প্ৰত্যেক দিনৰ বাবে দহ লাখ টকালৈ বিস্তৃত হব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

*সাধাৰণ বাহক বা চুক্তি বাহকক ইচ্ছাকৃতভাৱে ক্ষতি কৰাৰ বাবে দণ্ড।*

৪৯। পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য বা প্ৰাকৃতিক গেছৰ যোগানৰ বাবে কোনো পাইপলাইন বা মহানগৰ বা আঞ্চলিক প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক বা সাধাৰণ বাহক বা চুক্তি বাহকৰ আন কাৰ্য্য ইচ্ছাকৃত ভাৱে অপসাৰণ, ধ্বংস বা ক্ষতি কৰা প্ৰত্যেক ব্যক্তিয়ে এনে প্ৰত্যেক অপৰাধৰ বাবে তিনিবছৰলৈ বিস্তৃত হ'ব পৰা এটা কাৰাবাসেৰে বা পঁচিশ কোটি টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে বা উভয়েৰে আৰু অবিৰত উলঙ্ঘণৰ ক্ষেত্ৰত এনে উলঙ্ঘণৰ চলি থকা কালত প্ৰত্যেক দিনৰ বাবে দহ লাখ টকালৈ বিস্তৃত হ'ব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডনীয় হ'ব।

*কোম্পানীৰ দ্বাৰা কৰা অপৰাধসমূহ।*

৫০। (১) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, অপৰাধটো সংঘটিত হোৱাৰ সময়ত কোম্পানীৰ দৰে কোম্পানীৰ ব্যৱসায় পৰিচালনাৰ বাবে কোম্পানীৰ ভাৰপ্ৰাপ্তত থকা বা কোম্পানীৰ দায়িত্বত থকা প্ৰত্যেক ব্যক্তিক অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই এনে কোনো ব্যক্তিক, এই অধিনিয়মত উপবন্ধিত কোনো দণ্ডৰে দায়ী নকৰিব, যদিহে তেওঁ প্ৰমাণ কৰে যে অপৰাধটো তেওঁ জ্ঞান বিনা সংঘটিত হৈছিল বা তেওঁ এনে অপৰাধ সংঘটনৰ প্ৰতিষেধ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয় আৰু এইটো প্ৰমাণিত হয় যে অপৰাধটো কোম্পানীৰ কোনো সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিৰ বা তেওঁলোকৰ পক্ষত অৱহেলাৰ ফলস্বৰূপে সংঘটিত হৈছে, তেতিয়া এনে সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো অপৰাধৰ বাবে দোষী বুলি গণ্য

কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে কাৰ্য্যবাহী চলাবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

স্পষ্টীকৰণ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে,

(ক) "কোম্পানী" মানে কোনো নিগমিত নিকায় আৰু ই এখন ফাৰ্ম বা ব্যক্তিসকলৰ আন সংগঠনক অন্তৰ্ভূক্ত কৰে; আৰু

(খ) এখন ফাৰ্মৰ সম্পৰ্কত 'সঞ্চালক' মানে, ফাৰ্মৰ এজন ভাগীদাৰ।

## অধ্যায় - ১০

## বিবিধ

*ডাটা বেঙ্ক আৰু তথ্যৰ সংৰক্ষণ।*

৫১। (১) বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰাদৰে এনে প্ৰপত্ৰত আৰু ৰীতিত, পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ সৈতে সংব্যৱহৃত অস্তিত্বৰ কাৰ্য্যকলাপ সম্পৰ্কিত এটা ডাটা বেঙ্ক আৰু তথ্যৰ সংৰক্ষণ কৰিব।

(২) বোৰ্ডৰ, অস্তিত্বৰ দ্বাৰা যোগান ধৰা ডাটা সত্যাপিত কৰিবলৈ আৰু এই প্ৰয়োগৰ বাবে কোনো ব্যক্তি বা ব্যক্তিসমূহৰ নিযুক্তি দিবলৈ আৰু ই আৱশ্যকীয় বিবেচনা কৰাদৰে এনে ব্যৱস্থা লোৱাৰ ক্ষমতা থাকিব।

*অস্তিত্ব সমূহৰ বাধ্যবাধকতা।*

৫২। (১) প্ৰত্যেক অস্তিত্বই -

(ক) বোৰ্ডে বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা এনে দস্তাবেজীয় অভিলেখ সংৰক্ষণ কৰিব ;

(খ) বোৰ্ডে প্ৰাধিকৃত কৰা কোনো ব্যক্তিৰ দ্বাৰা, বোৰ্ডে বিনিৰ্দ্দিষ্ট কৰাদৰে এনে সুবিধা আৰু দস্তাবেজীয় অভিলেখৰ পৰিদৰ্শনৰ অনুমতি দিব ;

(গ) কাৰ্য্যকলাপৰ প্ৰবৰ্ত্তন আৰম্ভ কৰিব যাৰ বাবে প্ৰাধিকৰণৰ দস্তাবেজত বোৰ্ডৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা এনে কালৰ ভিতৰত প্ৰাধিকীকৰণ মঞ্জুৰীকৃত কৰা হৈছে;

(ঘ) (I) পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ যোগানৰ বাবে পাইপলাইনৰ ব্যৱহাৰৰ সম্পৰ্কত বোৰ্ডৰ সৈতে চুক্তি; বা

(II) বোৰ্ডৰ বিনিয়মাৱলীৰ দ্বাৰা নিৰ্দ্ধাৰিণ কৰা কোনো আন দস্তাৱেজৰ পঞ্জীয়ণ কৰিব;

(ঙ) বিপনন সেৱা বাধ্যবাধকতা আৰু খুচুৰা সেৱা বাধ্যবাধকতা পালন কৰিব।

(২) বোৰ্ডে অস্তিত্বৰ স্বচ্ছতাৰ সুনিশ্চিতকৰণৰ বাবে বা প্ৰকৃত স্বামীত্বৰ নিশ্চিতকৰণৰ বাবে আৱশ্যকীয় বুলি বিবেচিত তথ্যক অন্তৰ্ভূক্ত কৰি কোনো অস্তিত্বৰ পৰা কোনো তথ্য বিচাৰিব পাৰে।

(৩) বোৰ্ডৰ বা বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত কোনো পদাধিকাৰীৰ অস্তিত্বৰ পৰিদৰ্শন কৰাৰ আৰু ইয়াৰ পৰা তথ্য প্ৰাপ্ত কৰাৰ ক্ষমতা থাকিব, যতেই আৱশ্যক হয়।

*১৯৫৬ ৰ ১*

(৪) প্ৰাধিকৰণৰ নিবন্ধন আৰু চৰ্ত্তাৱলীৰ প্ৰভাৱী বলবৎকৰণৰ বাবে, সেই প্ৰয়োজনৰ বাবে

বোৰ্ড বা ইয়াৰ দ্বাৰা প্ৰাধিকৃত কোনো পদাধিকাৰীৰ, কোম্পানী অধিনিয়ম, ১৯৫৬ৰ ধাৰা ২০৯(ক) ৰ অধীনত উপবন্ধিত দৰে এজন পৰিদৰ্শনকাৰী পদাধিকাৰীৰ সকলো ক্ষমতা থাকিব।

(৫) এই ধাৰাৰ অধীনত বোৰ্ডক দিয়া নিৰ্দ্দেশনা কাৰ্য্যকৰী কৰিবলৈ প্ৰত্যেক অস্তিত্বৰ কৰ্ত্তব্য হ'ব।

(৬) বোৰ্ডে, অস্তিত্ব সমূহৰ পৰা ইয়াৰ দ্বাৰা প্ৰাপ্ত কৰা কোনো তথ্য আৰু অভিলেখৰ সম্বন্ধত গোপনীয়তা ৰক্ষা কৰিব আৰু লোক স্বাৰ্থত কাৰণৰ ব্যতিৰেকে কোনো ব্যক্তি বা প্ৰাধিকাৰীলৈ ইয়াত থকা তথ্য প্ৰকাশ নকৰিব।

*কেন্দ্ৰীয় চৰকাৰলৈ প্ৰবিৱৰণ, ইত্যাদিৰ যোগান ধৰা।*

৫৩। বোৰ্ডে, বিহিত কৰাদৰে বা কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ দিয়া দৰে এনে সময়ত আৰু এনে প্ৰপত্ৰত আৰু ৰীতিত, কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে অপেক্ষিত কৰা দৰে এই অধিনিয়মৰ অধীনত প্ৰস্তাৱিত বা বিদ্যমান কাৰ্য্যকলাপৰ সম্বন্ধত কোনো বিষয়বস্তুৰ বিষয়ত এনে প্ৰবিৱৰণ আৰু বিবৃতি আৰু এনে সবিশেষ কেন্দ্ৰীয় চৰকাৰক যোগান ধৰিব।

*অধ্যক্ষ, সদস্য ইত্যাদি লোকসেৱক হ'ব।*

*১৮৬০ৰ ৪৫*

৫৪। বোৰ্ডৰ অধ্যক্ষ, সদস্য, পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দক আৰু আপীল ন্যায়াধিকৰণৰ কাৰিকৰী সদস্যক (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) যেতিয়া এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটোৰ অনুসৰণত কাৰ্য্য কৰি থাকে বা কাৰ্য্য কৰিবলৈ তাৎপৰ্য্যিত হয়, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোক সেৱক বুলি গণ্য কৰা হ'ব।

*সদ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা।*

৫৫। এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত সদবিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰ বোৰ্ড, কাৰিকৰী প্ৰাধিকাৰী বা আপীল ন্যায়াধিকৰণ বা কেন্দ্ৰীয় চৰকাৰৰ কোনো পদাধিকাৰী বা বোৰ্ডৰ কোনো অধ্যক্ষ, সদস্য, পদাধিকাৰী বা আন কৰ্ম্মচাৰীবৃন্দ বা আপীল ন্যায়াধিকৰণৰ কাৰিকৰী সদস্যৰ (পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ) বিৰুদ্ধে কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী নচলিব।

*চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব।*

৫৬। কোনো চিভিল ন্যায়ালয়ৰ কোনো বিষয়ৰ সম্বন্ধত কোনো বাদ বা কাৰ্য্যবাহী গ্ৰহণ কৰিবলৈ অধিকাৰিতা নাথাকিব যিটো বোৰ্ড বা আপীল ন্যায়াধিকৰণে এই অধিনিয়মৰ দ্বাৰা বা অধীনত নিৰ্দ্ধাৰিণ কৰিবলৈ ক্ষমতাৰ্পিত হয়, আৰু এই অধিনিয়মৰ দ্বাৰা বা অধীনত প্ৰদত্ত কোনো ক্ষমতাৰ অনুসৰণত লোৱা বা লবলগীয়া কোনো কাৰ্য্য ব্যৱস্থাৰ সম্বন্ধত কোনো ন্যায়ালয় বা আন প্ৰাধিকাৰীৰ দ্বাৰা কোনো নিষেধাজ্ঞা মঞ্জুৰ কৰা নহ'ব।

*কেতবোৰ অপৰাধৰ সংজ্ঞান।*

৫৭। (১) কোনো ন্যায়ালয়ে, বোৰ্ডৰ দ্বাৰা বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্দ্দেশিত কোনো অনুসন্ধানকাৰী এজেন্সীৰ দ্বাৰা দিয়া এটা অভিযোগৰ ব্যতিৰেকে অধ্যায় ৯ৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ সংজ্ঞান নলব।

(২) এজন মুখ্য মহানগৰ দণ্ডাধীশ বা এজন মুখ্য ন্যায়িক ন্যায়াধীশৰ নিম্নতৰ কোনো ন্যায়ালয়ে, অধ্যায় ৯ৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ বিচাৰ নকৰিব।

(৩) ধাৰা ৪৪, ৪৫, ৪৬ আৰু ৪৭ৰ অধীনত দণ্ডনীয় প্ৰত্যেক অপৰাধ সংজ্ঞেয় হ'ব।

*আৰোপ।*

৫৮। বোৰ্ড লিখিতভাৱে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, আদেশত বিনিৰ্দ্দিষ্ট কৰাদৰে এনে চৰ্ত্তাৱলীৰ সাপেক্ষে, যদি কিবা থাকে, বোৰ্ডৰ কোনো সদস্য বা পদাধিকাৰীলৈ, ই আৱশ্যকীয় বুলি গণ্য

কৰাদৰে (অধ্যায় ৬ৰ অধীনত এটা বিবাদ নিস্পত্তি কৰিবলৈ আৰু ধাৰা ৬১ৰ অধীনত বিনিয়মাৱলী প্ৰনয়ণ কৰাৰ ক্ষমতাৰ ব্যতিৰেকে) এই অধিনিয়মৰ অধীনত ইয়াৰ এনে ক্ষমতা আৰু কৃত্য আৰোপ কৰিব পাৰে।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৫৯। (১) যদি এই অধিনিয়মৰ উপবন্ধাৱলী প্ৰভাৱী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা জটিলতা দূৰীকৰণৰ বাবে, ই আৱশ্যক গণ্য কৰা দৰে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসংগত নোহোৱা এনে উপবন্ধাৱলীৰ প্ৰণীত কৰিব পাৰে :

পৰন্তু কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুই বছৰৰ অৱসানৰ পিচত এই ধাৰাৰ অধীনত কোনো আদেশ দিয়া নহ'ব।

(২) এই ধাৰাৰ অধীনত দিয়া প্ৰত্যেক আদেশ ইয়াক প্ৰনয়ণ কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

*কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰনয়ণ কৰাৰ ক্ষমতা।*

৬০। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যান্বিত কৰাৰ বাবে নিয়মাৱলী প্ৰনয়ণ কৰিব পাৰে।

(২) বিশেষত: আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয় সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৫ৰ উপধাৰা (৪)ৰ অধীনত অধ্যক্ষ আৰু আন সদস্যক দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন চৰ্ত্তাৱলী;

(খ) ধাৰা ৭ৰ অধীনত কোনো ব্যক্তিৰ নিযুক্তিৰ প্ৰক্ৰিয়া বা কোনো প্ৰাধিকাৰীৰ গঠন আৰু তদন্ত পৰিচালনা কৰা;

(গ) ধাৰা ১০ৰ উপধাৰা (৩)ৰ অধীনত, বোৰ্ডৰ সচিব, পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দক দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(ঘ) কোনো আন বিষয় যাৰ সম্বন্ধত বোৰ্ডে ধাৰা ১৩ৰ উপধাৰা (১)ৰ খণ্ড (ক)ৰ অধীনত এখন চিভিল ন্যায়ালয়ৰ ক্ষমতা কাৰ্য্যকৰী কৰে ;

(ঙ) যোগ্যতাৰ চৰ্ত্তাৱলী, যিবোৰ এটা অস্তিত্বই, ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত পঞ্জীয়ণকৰণৰ বাবে পূৰ্ণ কৰিব ;

(চ) ধাৰা ৩৩ৰ উপধাৰা (২)ৰ অধীনত আপীলৰ প্ৰপত্ৰ, আৰু এনে প্ৰপত্ৰৰ সত্য নিৰূপনৰ ৰীতি আৰু এনে প্ৰপত্ৰৰ লগত দিয়া মাচুল ;

(ছ) ধাৰা ৪০ ৰ উপধাৰা (ঠ)ৰ অধীনত বোৰ্ডৰ হিচাপসমূহৰ সংৰক্ষণৰ ৰীতি ;

(জ) ধাৰা ৪১ ৰ উপধাৰা (ঠ)ৰ অধীনত বোৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময় আৰু ৰীতি ;

(ঝ) ধাৰা ৪৩ৰ উপধাৰা (৩)ৰ অধীনত ক্ষতিপূৰণৰ দাবীৰ বাবে কৰা আবেদনৰ প্ৰপত্ৰ আৰু ৰীতি, ক্ষতিপূৰণ নিৰ্দ্ধাৰণ কৰাৰ প্ৰক্ৰিয়া আৰু এনে ক্ষতিপূৰণ আদায় দিয়াৰ সময় ;

(ঞ) ধাৰা ৫৩ৰ অধীনত বোৰ্ডৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰলৈ দিবলগীয়া প্ৰবিৰণ আৰু বিৱৰণৰ সময় আৰু ৰীতি ;

(ট) কোনো আন বিষয় যিটো বিহিত হয় বা হ'ব পাৰে বা যাৰ সম্বন্ধত উপবন্ধ নিয়মাৱলীৰ দ্বাৰা প্ৰনয়ণ কৰা হয়।

*বোৰ্ডৰ বিনিয়মাৱলী প্ৰনয়ণ কৰাৰ ক্ষমতা।*

৬১। (১) বোৰ্ডে অধিসূচনা দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলীৰ কাৰ্য্যান্বিত কৰিবলৈ এই অধিনিয়মৰ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সুসঙ্গত বিনিয়মাৱলী প্ৰনয়ণ কৰিব পাৰে।

(২) বিশেষত: আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মাৱলীয়ে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৮ৰ উপধাৰা (১)ৰ অধীনত বোৰ্ডৰ সভাসমূহৰ সময় আৰু স্থান আৰু এনে সভাসমূহত অনুসৰণ কৰিবলগীয়া (ব্যৱসায়ৰ লেনদেনৰ বাবে আৱশ্যকীয় থূল অন্তৰ্ভূক্ত কৰি) প্ৰক্ৰিয়া ;

(খ) ধাৰা ১০ ৰ উপধাৰা (১)ৰ অধীনত সচিবৰ ক্ষমতা আৰু কৰ্ত্তব্য ;

(গ) ধাৰা ১০ ৰ উপধাৰা (৪)ৰ অধীনত নিয়োজিত পৰামৰ্শকাৰীৰ নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(ঘ) ধাৰা ১১ খণ্ড (খ) ৰ উপখণ্ড (III) ৰ পঞ্জীয়নকৰণৰ বাবে অপেক্ষিত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছৰ বাবে মজুতকৰণৰ সুবিধাৰ সামৰ্থ্য ;

(ঙ) ধাৰা ১১ ৰ খণ্ড (ঙ)ত নিৰ্দ্দেশিত সাধাৰণ বাহক বা চুক্তি বাহক বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক আৰু আন বিষয়ৰ বাবে মুক্ত প্ৰবেশ আৰু পৰিবহন হাৰ বিনিয়মিত কৰা ;

(চ) ধাৰা ১১ ৰ খণ্ড (চ) ৰ উপখণ্ড (ফ) ৰ অধীনত অস্তিত্ব সমূহৰ বাবে বিপনন সেৱা বাধ্যবাধকতা আৰু খুচুৰা বজাৰৰ বাবে খুচুৰা সেৱা বাধ্যবাধকতা ;

(ছ) ধাৰা ১১ৰ খণ্ড (ছ)ৰ অধীনত মাচুল আৰু আন প্ৰভাৱৰ উদগ্ৰহণ ;

(জ) ধাৰা ১১ৰ খণ্ড (ঝ)ৰ অধীনত পেট্ৰ'লিয়াম, পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্য আৰু প্ৰাকৃতিক গেছ সম্পৰ্কিত কাৰ্য্যকলাপত সুৰক্ষা মানদণ্ডক অন্তৰ্ভূক্ত কৰি কাৰিকৰী মানদণ্ড আৰু বিনিৰ্দ্দিষ্টকৰণ ;

(ঝ) ধাৰা ১৩ৰ উপধাৰা (৩)ৰ অধীনত ইয়াৰ ব্যৱসায় চলোৱাৰ স্থানক অন্তৰ্ভূক্ত কৰি বোৰ্ডৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

(ঞ) ধাৰা ১৪ৰ উপ-ধাৰা (ঠ)ৰ অধীনত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ পঞ্জীৰ সংৰক্ষণৰ ৰীতি ;

(ট) ধাৰা ১৪ৰ উপ-ধাৰা (৪)ৰ অধীনত পঞ্জীত কোনো প্ৰবিষ্টিৰ প্ৰমাণিত প্ৰতিলিপি প্ৰাপ্তকৰাৰ বাবে আবেদন কৰাৰ প্ৰপত্ৰ আৰু ৰীতি আৰু এনে আবেদনৰ সৈতে দিয়া মাচুল ;

(ঠ) ধাৰা ১৫ৰ উপ-ধাৰা (ঠ)ৰ অধীনত এখন আবেদন দিয়াৰ প্ৰপত্ৰ আৰু ৰীতি আৰু ধাৰা

১৫ৰ উপধাৰা (২)ৰ অধীনত এনে আবেদনৰ সৈতে দিয়া মাচুল ;

(ড) ধাৰা ১৫ৰ উপ-ধাৰা (৩)ৰ অধীনত মঞ্জুৰীকৃত পঞ্জীয়ন এখন প্ৰমাণপত্ৰৰ ৰীতিৰ ধাৰা ১৫ৰ উপ-ধাৰা (৪)ৰ অধীনত নিলম্বিত বা বাতিল কৰিব পাৰে ;

(ঢ) ধাৰা ১৭ৰ উপ-ধাৰা (১) বা উপধাৰা (২)ৰ অধীনত দিয়া এখন আবেদন প্ৰপত্ৰ আৰু ৰীতি আৰু ধাৰা ১৭ৰ উপধাৰা (৩)ৰ অধীনত এনে আবেদনৰ সৈতে দিয়া মাচুল ;

(ণ) ধাৰা ১৮ৰ অধীনত পঞ্জীয়নৰ বাবে আবেদন গ্ৰহণৰ প্ৰচাৰ কৰা প্ৰপত্ৰ আৰু ৰীতি ;

(ত) ধাৰা ১৯ৰ উপধাৰা (২)ৰ অধীনত কোনো অস্তিত্বৰ বাচনিৰ ৰীতি ;

(থ) বছৰৰ সংখ্যা নিৰ্দ্ধাৰিণ কৰাৰ বাবে থকা নীতি যাৰ বাবে এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক, ধাৰা ২০ৰ উপধাৰা (৪)ৰ অধীনত এটা সাধাৰণ বাহক বা চুক্তি বাহকৰ সীমাৰ পৰা বাদ দিয়া হ'ব ;

(দ) বোৰ্ডৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া নিৰ্দেশক নীতি আৰু ধাৰা ২০ৰ উপধাৰা (৫)ৰ অধীনত এখন মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্ম্মাণ, প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ ঘোষণা বা প্ৰাধিকৃতকৰণৰ বাবে এটা সাধাৰণ বাহক বা চুক্তি বাহকৰ স্থাপন, নিৰ্ম্মাণ প্ৰবৰ্ত্তন বা বিস্তাৰ কৰিবলৈ ঘোষণা বা প্ৰাধিকৃতকৰণৰ বাবে থকা ব্যৱস্থাসমূহ;

(ধ) শাখাভুক্ত আচৰণবিধি যাৰ অধীনত ধাৰা ২১ৰ উপধাৰা (১)ৰ পৰন্তুকৰ অধীনত পালন কৰিবলৈ অপেক্ষিত হোৱা অস্তিত্বসমূহ ;

(ন) ধাৰা ২২ৰ উপ-ধাৰা (১)ৰ অধীনত সাধাৰণ বাহক বা চুক্তিবাহক বা মহানগৰ বা স্থানীয় প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্কৰ বাবে পৰিবহন শুল্ক আৰু এনে শুল্কৰ নিৰ্দ্ধাৰিণ ৰীতি;

(প) ধাৰা ২৫ৰ উপ-ধাৰা (২)ৰ অধীনত অভিযোগ দিয়া ৰীতি আৰু এনে অভিযোগৰ লগত দিয়া মাচুল ;

(ফ) ধাৰা ২৬ৰ উপধাৰা (১)ৰ অধীনত এজন অনুসন্ধানকাৰী পদাধিকাৰীৰ দ্বাৰা কোনো অনুসন্ধান কৰাৰ ৰীতি ;

(ব) ধাৰা ২৬, ৰ উপ-ধাৰা (২)ৰ অধীনত এজন অনুসন্ধানকাৰী পদাধিকাৰী ৰূপে নিযুক্তিৰ বাবে কোনো ব্যক্তিয়ে ধাৰণ কৰা অৰ্হতা আৰু অভিজ্ঞতা ;

(ভ) ধাৰা ৫১ৰ উপ-ধাৰা (১)ৰ অধীনত বোৰ্ডৰ দ্বাৰা ডাটা বেঙ্ক আৰু তথ্য পদ্ধতিৰ পৰিচালনাৰ প্ৰপত্ৰ আৰু ৰীতি ;

(ম) ধাৰা ৫২ৰ উপ-ধাৰা (ঠ)ৰ খণ্ড (ক)ৰ অধীনত, এটা অস্তিত্বৰ দ্বাৰা দস্তাবেজীয় অভিলেখৰ সংৰক্ষণ ;

(য) ধাৰা ৫২ৰ উপ-ধাৰা (ঠ)ৰ খণ্ড (ঘ)ৰ উপখণ্ড (II)ৰ অধীনত, বোৰ্ডত পঞ্জীকৃত হ'বলগীয়া কোনো আন প্ৰকাৰৰ দস্তাৱেজে ;

(ক) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰিবলৈ অপেক্ষিত হোৱা বা কৰিব পৰা বা

বিনিয়মাৱলীৰ দ্বাৰা প্ৰণীত কৰিবলগীয়া বা কৰিব পৰা উপবন্ধৰ সম্বন্ধত কোনো আন বিষয়।

*নিয়মাৱলী আৰু বিনিয়মাৱলী সংসদত উত্থাপিত কৰা হ'ব।*

৬২। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম আৰু এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰণীত প্ৰত্যেক বিনিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশদিনৰ কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশন অব্যৱহৃত পৰৱৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়ম বা বিনিয়মত, কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদন সন্মত হয় যে নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নেলাগে তেন্তে তাৰ পিছত নিয়ম বা বিনিয়মটো কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহ'ব ; সেয়ে হ'লেও এনে সালসলনি বা ৰদকৰণ সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

*সংক্ৰমনকালীন ব্যৱস্থা।*

৬৩। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে, তেল কোম্পানী সমূহৰ মাজত পেট্ৰ'লিয়াম উৎপাদিত দ্ৰব্যৰ ভাগীদাৰী বা আন্তঃগাঠনি সুবিধাৰ প্ৰয়োজনাৰ্থে এটা তেল কোম্পানী আৰু আন এটাৰ মাজত যেতিয়া এটা চুক্তি বা চুক্তিসমূহৰ প্ৰবিষ্টি হয়, আৰু এনে চুক্তি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত হয়, বোৰ্ডে সংক্ৰমনকালৰ বাবে এনে চুক্তিৰ প্ৰয়োগ নিৰীক্ষণ কৰিব পাৰে।

(২) বোৰ্ডে বিদ্যমান অস্তিত্বৰ খুচুৰা নেটৱৰ্কত বেদখল নকৰাকৈ অস্তিত্বৰ দ্বাৰা সংক্ৰমনকালৰ ভিতৰত প্ৰাকৃতিক গেছৰ বাবে মটৰ স্পিৰিট, উচ্চ গতিবেগ ডিজেল, উচ্চমানৰ কেৰাচিন তেল, তৰল পেট্ৰ'লিয়াম গেছ আৰু সম্প্ৰীড়িত প্ৰাকৃতিক গেছ কেন্দ্ৰ/(অস্থানৰ) ব্যৱসায় আৰু বিতৰণকাৰীৰ স্থাপনক নিৰীক্ষন কৰিব।

স্পষ্টীকৰণ - I - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, অতিব্যক্তি "সংক্ৰমনকালীন কালে", এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা তিনি বছৰ এটা অৱধিক বুজাব।

স্পষ্টীকৰণ - II - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, 'সংগঠনৰ সুবিধা' ই হাইড্ৰ্যানট লাইনৰ অন্তৰ্ভূক্ত কৰি বন্দৰ, শোধনাগাৰ, টাৰ্মিনেল, ডিপো, আৰু বিমান পৰিবহন ইন্ধন কেন্দ্ৰত থকা সুবিধাসমূহক অৰ্থ কৰিব আৰু মাল বোজাই কৰা আৰু মাল নমোৱা সুবিধাসমূহক অন্তৰ্ভূক্ত কৰিব।

স্পষ্টীকৰণ - (III) - এই ধাৰাৰ প্ৰয়োজনাৰ্থে "বেদখলে" আন কাৰোবাৰ দ্বাৰা এটা অস্তিত্বৰ খুচুৰা বজাৰৰ হস্তগত কৰাক অন্তৰ্ভূক্ত কৰে।

—— ০ ——

## পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬

## The Petroleum and natural gas regulatory Board Act, 2006

### Glossary of Terms

### পৰিভাষা

| Section | English term | Assamese Equivalent |
|---|---|---|
| 2(e) | Ambient temperature | বাতাবৰণৰ উষ্ণতা। |
| 2(i) | C N G | সম্প্ৰীড়িত প্ৰাকৃতিক গেছ। |
| 2(r) | Ignition engines | প্ৰজ্জ্বলন ইঞ্জিন। |
| 2(s) | Middle distillate mixture | মধ্যমীয়া পাতন মিশ্ৰন। |
| 2(w)(i) | Retail outlets | খুচুৰা বজাৰ। |
| 2(w)(i) | Remote areas | দূৰৱৰ্ত্তী এলেকা। |
| 2(x) | Freight | সামগ্ৰী মূল্য। |
| 2(ze) | Inflammable Mixture | দাহ্য মিশ্ৰণ। |
| 2(ze) | Viscous | লেতকেতীয়া |
| 4(2) | After Member | পশ্চাৎৱৰ্ত্তী সদস্য। |
| 11(i) | Downstream petroleum | নিম্নপ্ৰবাহী পেট্ৰ'লিয়াম। |
| 22(2)(e) | Benchmarking | তল চিহ্ন। |
| 43(1) | Business premises | ব্যৱসায় পৰিসৰ। |

ৰাষ্ট্ৰপতিয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিনিয়মন বোৰ্ড অধিনিয়ম, ২০০৬ (২০০৬ৰ অধিনিয়ম সংখ্যা ১৯)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Petroleum and Natural Gas Regulatory Board Act, 2006 (Act No. 19 of 2006) has been authorised by the President to be published in the Official Gazette under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৩-০৬-১৯